


গুৱাহাটী আৰু নগাঁৱৰ পৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰৱাহ

শুকুৰবাৰ ● ২৩ মে’, ২০২৫/৮ জেঠ ১৯৪৩ শক ● দাম ২.০০ টকা ● চতুৰ্দশ বছৰ ● সংখ্যা - ৫ ● Vol - 14, Issue - 5


## গৌৰৱ গগৈ সম্পৰ্কত মুখ্যমন্ত্ৰী সময়ত গম পাব কোন সঁচা, কোন মিছা

**গুৱাহাটী ঃ** যোৰহাট সমষ্টিৰ কংগ্ৰেছ সাংসদ গৌৰৱ গগৈক পুনৰ আক্ৰমণৰ লক্ষ্য কৰি লয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰীৰ মন্তব্য ৯৯ শতাংশ মিছা বুলি গৌৰৱ গগৈয়ে উভতি ধৰাৰ পিছত লক্ষ্যণীয়ভাৱে ড° শৰ্মাই কয় - ‘হিমন্ত বিশ্ব শৰ্মাই হাজাৰটা মিছা কথা ক’ব পাৰে, কিন্তু অসমৰ মুখ্যমন্ত্ৰীয়ে মিছা কথা ক’ব নোৱাৰে। কাৰণ মুখ্যমন্ত্ৰীয়ে মিছা কথা ক’লে বিধানসভাত মোৰ ওপৰত প্ৰস্তাৱ লোৱা হ’ব। আদালতে মোক চমন দিব পাৰে।’ মুখ্যমন্ত্ৰী ড° শৰ্মাই গৌৰৱ গগৈক কটাক্ষ কৰি কয় - ‘তেওঁ আচল কথাটো নকয়। আচল কথাটো কৈ দিলেই হয়। তেওঁ পোনপটীয়াকৈ কওক, তেওঁ পাকিস্তানলৈ গৈছিল নে নাই? তেওঁৰ পত্নীয়ে পাকিস্তানৰ পৰা দৰমহা লৈছিল নে নাই? তেওঁৰ ল’ৰা-ছোৱালীৰ নাগৰিকত্ব কোন দেশৰ? তেওঁ সাংবাদিকৰ আগতে ইয়াৰ পোনপটীয়া উত্তৰ দিয়ক।’ আনহাতে ড° শৰ্মায়ো বাংলাদেশলৈ গৈছিল বুলি গৌৰৱ গগৈয়ে কৰা মন্তব্য সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কয়- ‘বাংলাদেশলৈতো সকলোৱে গৈ আছিল। বাংলাদেশৰ লগত কি আছে? বাংলাদেশৰ লগত আমাৰ অহা যোৱা আছিলেই। মহম্মদ ইউনুছৰ চৰকাৰ গঠনৰ পিছতহে অহা যোৱা বন্ধ হ’ল। শ্বেৰ হাছিনা প্ৰধানমন্ত্ৰী থকা সময়ত বাংলাদেশৰ সৈতে ভাৰতৰ সম্পৰ্ক বন্ধুত্বপূৰ্ণ আছিল। এই কথা সকলোৱে জানে। এতিয়াও তাত ভাৰতৰ মানুহৰ আছে। এতিয়া বাংলাদেশলৈ যোৱাটো অৱশ্যে অপৰাধ, যিহেতু মহম্মদ ইউনুছ ভাৰত বিৰোধী। গতিকে পাকিস্তানলৈ যোৱা আৰু বাংলাদেশলৈ যোৱাৰ মাজত আকাশ-পাতাল পাৰ্থক্য আছে।’



## জিলা আয়ুক্তসকলৰ সৈতে মুখ্যমন্ত্ৰীৰ ভিডিঅ’ কনফাৰেন্স

### মিছন বসুন্ধৰা ৩.০, মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান আৰু অৰুণোদয় ৩.০ ৰ ফলপ্ৰসূ ৰূপায়ণ সন্দৰ্ভত পৰ্যালোচনা মুখ্যমন্ত্ৰীৰ



**দিছপুৰ ঃ** ৰাজ্য চৰকাৰে গ্ৰহণ কৰা জনকল্যাণমূলক আঁচনিসমূহ ফলপ্ৰসূ আৰু সময়নিৰ্ধাৰিতভাৱে ৰূপায়ণ কৰাৰ উদ্দেশ্যেৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই লোকসেৱা ভৱনৰ সভাকক্ষৰ পৰা ভিডিঅ’ কনফাৰেন্সযোগে জিলা আয়ুক্তসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। এই বৈঠকত মিছন বসুন্ধৰা ৩.০, মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান আৰু অৰুণোদয় ৩.০ৰ ফলপ্ৰসূ ৰূপায়ণৰ দিশত বৰ্তমানলৈকে হোৱা অগ্ৰগতিকে ধৰি বিভিন্ন দিশ মুখ্যমন্ত্ৰীয়ে বিতংভাৱে পৰ্যালোচনা কৰে। মুখ্যমন্ত্ৰীয়ে বৈঠকত মিছন বসুন্ধৰা ৩.০ৰ বাবে বৰ্তমানলৈকে লাভ কৰা আবেদন, জিঅ’ টেগিং আদিকে ধৰি বিভিন্ন দিশত হোৱা অগ্ৰগতিৰ খতিয়ান জিলা আয়ুক্তসমূহৰ পৰা লৈ নিৰ্ধাৰিত সময়সূচী অনুসৰি এই আঁচনিখন যাতে *১০ পৃষ্ঠাত*

## বাৰিষাৰ পূৰ্বে কলিয়াবৰ আৰু বোকাখাতত বানে ছিঙা মথাউৰিৰ মেৰামতিৰ কামৰ বুজ লয় জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই




**বোকাখাত ঃ** জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই নগাঁও জিলাৰ অন্তৰ্গত কলিয়াবৰৰ হাতীমুৰা আৰু গোলাঘাট জিলাৰ বোকাখাতৰ বংকোৱালত উপস্থিত হৈ বানত ক্ষতিগ্ৰস্ত মথাউৰিৰ মেৰামতিৰ কামৰ বুজ লয়। এই ভ্ৰমণৰ সময়ত উপস্থিত সংবাদ মাধ্যমক সম্বোধন কৰি মন্ত্ৰীগৰাকীয়ে কয় যে যোৱা বছৰ ব্ৰহ্মপুত্ৰ নদীয়ে শ্লুইচ গেটৰ সমীপৰ হাতীমুৰাৰ কলংমুখত মথাউৰিৰ এটা *১০ পৃষ্ঠাত*

## পহলগাম সন্ত্ৰাসবাদী আক্ৰমণে ভাৰতৰ ওপৰত কি প্ৰভাৱ পেলাব?

■ **দেবৰ্ষি গৌতম,** বনগাঁও

পাকিস্তান আৰু সন্ত্ৰাসবাদ যেন একেটা মুদ্ৰাৰ ইপিঠি-সিপিঠি এয়া সৰ্বজনবিদিত। ভাৰতৰ ভূমিত সংঘটিত হোৱা ভয়াৱহ প্ৰায় প্ৰতিটো সন্ত্ৰসবাদী আক্ৰমণৰ সৈতে পাকিস্তান প্ৰত্যক্ষভাৱে নাইবা পৰোক্ষভাৱে জড়িত হৈ থাকে। যোৱা ২২ এপ্ৰিল তাৰিখে জম্মু কাশ্মীৰৰ পহলগ্ৰামত সংঘটিত হোৱা সন্ত্ৰসবাদী আক্ৰমণৰ সৈতেও পাকিস্তান জড়িত থকাৰ প্ৰমাণ ইতিমধ্যে ভাৰত চৰকাৰ, ভাৰতীয় সেনাবাহিনী আৰু ভাৰতীয় চোৰাংচোৱা সংস্থাই লাভ কৰিছে। ভাৰতত সংঘটিত হোৱা যিকোনো সন্ত্ৰসবাদী আক্ৰমণত পাকিস্তানৰ নাম পোহৰলৈ অহাৰ পিছতে পাকিস্তানে সেয়া নস্যাৎ কৰাটো তেওঁলোকৰ এক নিত্য নৈমত্তিক ঘটনা। কিন্তু জোলোঙাৰ মেকুৰী



তেতিয়াহে ওলাই পৰে যেতিয়া আজমল কাছবৰ দৰে পাকিস্তানী সন্ত্ৰসবাদী জীৱন্তে ভাৰতৰ সেনা বাহিনীৰ হাতত ধৰা পৰে। পাকিস্তানৰ সেনা আৰু পাকিস্তান চৰকাৰে ভালদৰে জানে যে ভাৰতৰ লগত প্ৰত্যক্ষ যুদ্ধ কৰি পাকিস্তানে কেতিয়াও জয়ী হ’ব নোৱাৰে। তাৰ প্ৰমাণ তিনিবাৰকৈ পাকিস্তানে ইতিমধ্যে লাভ কৰি থৈছে। সেইবাবে পাকিস্তানী সেনাই কিছুমান লোকক ভাৰতৰ বিৰুদ্ধে সন্ত্ৰসবাদী কাৰ্যকলাপ সংঘটিত কৰাবলৈ নিয়োজিত কৰি ৰাখিছে। তেনে লোকসকলে ভাৰতৰ ভূমিত সময়ে সময়ে সৰু-বৰ সন্ত্ৰসবাদী কাৰ্যকলাপ সংঘটিত কৰি আহিছে। পাকিস্তানী সেনাৰ সৈতে লগ লাগি সেনাৰ দ্বাৰা নিয়োজিত লোক সকলে ভাৰতৰ বিৰুদ্ধে সন্ত্ৰসবাদী কাৰ্যকলাপৰ সম্পূৰ্ণ ৰণনীতি প্ৰস্তুত কৰে। সিহঁতে কেৱল সন্ত্ৰসবাদী কাৰ্যাকলাপ সংঘটিত কৰাতে ক্ষান্ত নাথাকি সামাজিক মাধ্যমৰ জৰিয়তে বিভিন্ন অপপ্ৰচাৰ চলোৱাৰ ক্ষেত্ৰতো আগভাগ লয়। এনে অপপ্ৰচাৰৰ *১০ পৃষ্ঠাত*

# সেউজী ছাতিৰ সোঁৱৰণি

■ নাচিমা য়াচমিন

**ব'**হাগৰ অন্তিম প্ৰহৰবোৰ। নেৰা-নেপেৰাকৈ নামি অহা উদাসীন বৰষুণজাক যেন অজানিতে হৃদয়ৰ ভাঁজত স্পৰ্শ কৰি যায়। পুৰণি ৰাগিনিজনী হৈ থকা হ'লে নিশ্চয় এই বৰষুণজাকক দোষাৰোপ কৰি গালিৰে উপচাই থৈ গ'লহেঁতেন। কিন্তু আজিৰ ৰাগিনি? পাঁচ বছৰ আগৰ সেই ৰাগিনিৰ পৰা সম্পূৰ্ণ পৃথক, যেন দুয়ো দুই পৃথিৱীৰ বাসিন্দাহে।

গুৱাহাটী মহানগৰীৰ হেঁপাহেৰে পৰিপূৰ্ণ ব্যস্ত জীৱনৰ পৰা নিজ পুৰণি গাঁৱলৈ যাত্ৰা কৰা ৰাগিনিয়ে বাছ এখনত উঠি শেষৰ খিৰিকীৰ ওচৰৰ চিটটোত যান্ত্ৰিকভাৱে বহি পৰে। বহোঁতেই, বেগৰ মাজত বান্ধ খোৱা সেউজী ছাতিটোৱে যেন উঁকি মাৰে। ফাটলৰে ঢাক খোৱা ছাতিটো অন্যৰ বাবে নগণ্য যেন লাগিলেও, ৰাগিনিৰ বাবে ই অতীতৰ এটি অমলিন চিৰ-স্মৃতি, এটি অচিন্ত্য সম্পৰ্কৰ প্ৰতীক।

খিৰিকীখন খুলি ৰাগিনিয়ে কৃষ্ণচূড়া, এজাৰ আৰু সোণাৰুৰ ৰঙীণ ৰূপবিলাকক চাই থাকিল। তাই বাৰু কেতিয়াবা এইদৰেই ৰঙীণ হ'ব পাৰিব নে? বিৰিখবিলাকৰ দৃষ্টিত যেন শব্দহীন এক সঁহাৰি। অন্য দিনা বাছখনে যাত্ৰী ঠেলি-ঠেলি আগবাঢ়ে যদিও বৰষুণৰ দিনত মানৱসমাগম কম হয়, গতিকে গতি একেবাৰে শিথিল। বাছখন জন-মানুহৰ অভাৱত নিৰ্বাক।

সেউজী ছাতিটো-তাইৰ লগত সদায় থাকে। কেতিয়াবা এটি বস্তু সৰল হ'লেও, অভ্যন্তৰৰ মানসপটত কিমানখিনি স্থায়ী ৰূপত সংৰক্ষিত হৈ থাকে, তাৰ জ্বলন্ত নিদৰ্শন যেন এই ছাতিটো।

বাছৰ খিৰিকীৰে বৰষুণজাকক ৰাগিনিয়ে গভীৰ চকুৰে চালে। মনৰ অৱচেতন স্তৰৰ পৰা স্মৃতিবোৰ উটি আহিবলৈ ধৰিলে- খিৰিকীৰে দেখা সেই গম্ভীৰ হাঁহিটো, একেলগে যোৱা ছাতিৰ তলৰ পথ, আনক ফুৰ্তিৰ বস্তু যেন লাগিলেও, তাইৰ বাবে সপোনৰ মূল পৃষ্ঠাবোৰ আছিল সেইবোৰ।

কলেজীয়া দিনৰ সেই বৰ্ণিল সময়ত এজন চাৰৰ প্ৰতি একক তীব্ৰ অনুভৱ - যি অনুভৱৰ ব্যাখ্যা মনকো বুজাব পৰা নাছিল। চাৰে সদ্য জইন কৰিছিল, বিজ্ঞান শাখাৰ। ৰাগিনি কলা শাখাত। ভাগ্যৰ লিখনি যেন - তাই তেওঁৰ ক্লাছত উপস্থিত থকাৰ সুযোগ নহ'ল। তথাপিও, প্ৰতি দিনৰ এটি দৃশ্য - বাছৰ খিৰিকীৰে তেওঁক দেখিবলৈ চেষ্টা কৰা, কেতিয়াবা পানী আনিবলৈ যাওঁতে সন্মুখত উপস্থিত হওঁতে আৰ চকুৰে চাই থকা, লেবৰ খিৰিকীৰে এপলক চাবলৈ হেঁপাহ কৰা-ইমানেই। ইমানেই যথেষ্ট তাইৰ বাবে সুখী হ'বলৈ।

তাইৰ পৰীক্ষাৰ অন্তিম দিনবোৰত, হৃদয়ত এক বাৰিষা যেন নামি আহিছিল। সময় বেয়াকৈ পাৰ হৈ গ'ল, কিন্তু সেই অনামিক অনুভৱ অজানিতে অমৰ হৈ থাকি গ'ল। বাছত তেওঁ আৰু তাই একেলগে আহিছিল সেইদিনা। দিনটো আছিল ১৪ মে' ২০২০ - বৰষুণৰ দিন। বাছখনত আন ছাত্ৰ-ছাত্ৰী কম থকাত ড্ৰাইভাৰে অলপ আগবাঢ়ি গৈছিল। কলেজৰ সম্মুখত ৰখাবলৈ পাহৰি গৈছিল। নিয়তিও চাগে স্মৃতিৰ বীজ ৰোপণ কৰিবলৈ এনে কৰিছিল তাইৰ লগত। তাই চিঞৰি-চিঞৰি বাছ ৰখাব লগা হৈছিল।

চাৰ ৰৈ আছিল। বেগৰ সহায়ত বৰষুণৰ পৰা আত্মৰক্ষাৰ চেষ্টা কৰিছিল। তেওঁ ভালেখিনি তিতি গৈছিল ইতিমধ্যে- তথাপিও একো নক'লে। বেছি কথা কোৱাৰ অভ্যাসো নাছিল তেওঁৰ। কিন্তু সেইদিনা, ৰাগিনিয়ে নিজেই মাত লগাইছিল - এক বিশাল সাহসৰ অৱতাৰ বুকুত সামৰি।

"চাৰ, ছাতিটো লওঁক। আপুনি তিতি আছে।"

চাৰে ধন্যবাদ এটি দিলে, আৰু সেই একেই অনুপম মিচিকিয়া হাঁহিটো, যি ৰাগিনিৰ হৃদয়ত বৰষুণৰ ধ্বনিৰ নিচিনাকৈ গাঢ় হৈ ৰ'ল।

তাই আকৌ মাত দিছিল - "চাৰ, আপুনি বহুত ওখ, ছাতিটো আপুনিয়ে ধৰি থাকিব।"

তেওঁ লৈছিল।

পথত গৈ থাকোঁতে তেওঁ ৰাগিনিক সুধিছিল - ক্লাছ, পাঠ্যক্ৰম, পৰীক্ষাৰ দিন আদিৰ কথা। কিন্তু ৰাগিনি তেতিয়াও যেন বাস্তৱত আছিল নে কল্পনাত, নিজেও ধৰিব পৰা নাছিল। চাৰৰ শৰীৰৰ সুগন্ধি, হৃদয়ৰ স্পন্দনখিনিয়ে যেন তাইক আগতকৈ বহুগুণে টানকৈ বান্ধি পেলাইছিল। প্ৰতিটো খোজৰ ধ্বনিয়ে তাইক কম্পিত কৰি তুলিছিল। অনিচ্ছাকৃতভাৱে হোৱা হাতৰ স্পৰ্শই তাইক শিহৰিত কৰিছিল। এনেদৰেই ভাললগাখিনি লাহে লাহে ভাল পোৱাত পৰিণত হ'বলৈ আৰম্ভ কৰিছিল।

সেই দিনটো - তাইৰ জীৱনৰ অক্ষয় দিন আছিল। যি কেৱল মাত্ৰ স্মৃতিত, সেউজী ছাতিটোৰ ফাটলত খোদিত হৈ থাকিল।

কিন্তু জীৱনটো কি মাথোঁ কল্পনাৰ গাঁথনি?

যি মুহূৰ্তত সঁচাকৈ ক'বলৈ হেঁপাহ জন্মে, সেই মুহূৰ্তত সময়খিনিয়ে হয়তো অলপ পলমেই কৰি দিয়ে।

চাৰজনে কেতিয়াও গমকেই নাপালে তাইৰ অভ্যন্তৰৰ সোঁতটো। কলেজৰ অধ্যায় সমাপ্তিৰ লগে লগে, চাৰৰ অধ্যায়টোও স্মৃতি হৈ গ'ল - এই ভাৱনাৰ মাজতে নিজকে সান্ত্বনা দিয়াৰ এক বৃথা প্ৰচেষ্টা কৰি থাকিলে তাই নিজৰ মনটোক।

তথাপিও, তাইৰ হৃদয়ত সেউজী ছাতিটো আজিও অক্ষত। সপোনে গঢ়া এটি ছাঁ, যি কেতিয়াও পূৰ্ণ নোহোৱা এটি মনোজগতৰ একক নাটক।

বৰষুণ আঁতৰি গ'ল। পাঠ শেষ হ'ল। সপোনবোৰ বাস্তৱৰ কঁপালত নিজৰ ঠাই বিচাৰি হেৰাই গ'ল।

তেওঁ থাকিল - এটি নিষ্ঠাবান শিক্ষক হিচাপে।

ৰাগিনি আগবাঢ়ি গ'ল - এক উদ্ভাৱনশীল জীৱনৰ সন্ধানত।

কিন্তু আজিও, সেউজী ছাতিটো হাতত ধৰি ৰাখোঁতে - তাইৰ দৃষ্টিৰে ভাঁহি আহে সেই গম্ভীৰ হাঁহি, সেই বৰষুণৰ ছন্দ আৰু সেই চিৰ- অচিন্ত্য মুহূৰ্তবোৰ, যি আজিও সেউজী ছাতিৰে সৈতে তাইৰ হৃদয়ৰ গভীৰত বান্ধ খাই আছে।

"সেউজী ছাতিটো আজি মোৰ বাবে মাথোঁ ছাতি নহয়। ই হৈছে এটি নিৰ্বাক কাহিনী, এটি অপূৰ্ণ কাব্যৰ সাক্ষী। তেওঁ কেতিয়াও মোৰ নাছিল - কিন্তু মোৰ হৃদয়খন সদায় তেওঁৰ হৈয়ে ৰ'ল।"

# কলিয়াবৰত ইলোৰা বিজ্ঞান মঞ্চৰ প্ৰতিষ্ঠা দিৱস পালন




**কলিয়াবৰ ঃ** উত্তৰ-পূব ভাৰতৰ প্ৰথমগৰাকী মৰণোত্তৰভাৱে দেহ দান কৰা মহিলা ইলোৰা ৰায়চৌধুৰীৰ স্মৃতিত গঠিত, বিজ্ঞান মনস্কতাৰ হকে উৎসৰ্গাৰ মনেৰে কৰ্মত ব্ৰতী ইলোৰা বিজ্ঞান মঞ্চৰ প্ৰতিষ্ঠা দিৱসটি সমগ্ৰ অসমৰ লগতে কলিয়াবৰতো পালন কৰা হয়। এই উপলক্ষ্যে মিছা উচ্চ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত সভাত সভাপতিত্ব কৰে ইলোৰা বিজ্ঞান মঞ্চৰ কলিয়াবৰ শাখাৰ সভাপতি ভূপেন শৰ্মাই। ইলোৰা বিজ্ঞান মঞ্চৰ কলিয়াবৰ শাখাৰ সম্পাদক জয়ন্ত বৰাই ইলোৰা ৰায়চৌধুৰীৰ অসামান্য দানৰ কথা উল্লেখ কৰি অন্ধবিশ্বাস আৰু কুসংস্কাৰ দূৰীকৰণত মঞ্চৰ ভূমিকা সন্দৰ্ভত বক্তব্য আগবঢ়ায়। আন এগৰাকী বক্তা ধ্ৰুৱজ্যোতি শৰ্মাই সমাজত প্ৰচলিত অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ বিৰুদ্ধে সজাগ হ'বলৈ আহ্বান জনাই কয় যে অলৌকিক ধ্যান ধাৰণাৰ পৰা মুক্ত হ'বলৈ মানুহ বিজ্ঞান মনস্ক হ'ব লাগিব। ধৰ্মত আছে বুলিয়েই নিৰ্বিবাদে সকলো কথা মানি নলৈ যুক্তিৰ আধাৰত কৰা বিচাৰ বিবেচনাইহে মানুহক বিজ্ঞানমুখী কৰিব পাৰে। 'প্লাষ্টিক প্ৰদূষণ ৰোধ কৰোঁ আহক' শীৰ্ষক বক্তৃতা প্ৰদান কৰে সভাপতি ভূপেন শৰ্মাই। এবাৰ ব্যৱহাৰযোগ্য পলিথিনৰ মোনা আৰু প্লাষ্টিক পানীবটলৰ ব্যৱহাৰ এৰিলেই ৫০ শতাংশ প্লাষ্টিক প্ৰদূষণ ৰোধ কৰিব পাৰি বুলি মন্তব্য কৰাৰ লগতে এই বাৰ্তা প্ৰতিটো পৰিয়াললৈ লৈ যাবলৈ সভাৰ সকলোকে শৰ্মাই আহ্বান জনাই কয় যে সমস্যা ইমানেই গভীৰ হৈছে যে মাতৃ দুগ্ধতো মাইক্ৰো প্লাষ্টিক কণিকা পোৱা গৈছে। ই কেৱল আৱৰ্জনাই হৈ থকা নাই, খাদ্য শৃংখলৰো অংশ হৈ পৰিছে। সভাত মিছা উচ্চমাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক জিতেন বৰুৱায়ো চমু ভাষণ আগবঢ়ায়। সভাত অৱসৰী শিক্ষয়িত্ৰী জোনটি বৰুৱা আৰু শিক্ষক ভবেন্দ্ৰ বৰুৱাইও অংশগ্ৰহণ কৰে।

# পুনৰাবৃত্তি নহওক এনে নৃশংসতাৰ

■ বনশ্ৰী শৰ্মা
ছাত্ৰী, বি.বৰুৱা কলেজ

**মা** মানেই মমতা, মৰম, মায়া বুলি জানি আহিছোঁ কাৰণ আমি প্ৰত্যেকেই মাৰ আচলত মুখ মচি, মাৰ ছায়াতেই ডাঙৰ হৈছোঁ। মাৰ মাহাত্ম্য এটা শব্দ, এটা বাক্যত সম্পূৰ্ণ কৰাটো সম্ভৱেই নহয়। তথাপি কওঁ মা আছে বাবেই আমি আছোঁ, যিসকলৰ মাতৃ বৰ্তমান তেওঁলোকৰ সৈতে কায়িকভাৱে নাই সেই সকলেও কিন্তু জানে মা কি। যিকোনো সমস্যাৰ সমাধান মা, সকলো প্ৰশ্নৰ উত্তৰ মা, ভাগৰুৱা জীৱনৰ জিৰণি মা, সকলো ভয়ৰ সাহস মা, বিপদৰ সময়ত সাৰথি মা, নিজে লঘোণে থাকিও সন্তানৰ পেটৰ ভোক গুচোৱা গৰাকী মা, সমগ্ৰ পৃথিৱীয়ে একাষৰীয়া কৰিলেও হাত এৰি নিদি বুকুৰ মাজত সাৱতি ৰখা গৰাকী মা, নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি সুৰক্ষা দিয়া গৰাকী মা। মুঠতে মা সঁচাকৈয়ে অনন্যা। কিন্তু কেতিয়াবা ইয়াৰ ব্যতিক্ৰমো দেখা যায়। ইয়াৰ অন্তৰালত কাৰণ, পৰিস্থিতি যিয়েই নহওক কিন্তু যেতিয়া ব্যতিক্ৰম দেখিবলৈ পাওঁ তেতিয়া প্ৰতিগৰাকী মাৰ লগতে সমাজখনেও উচুপি উঠে। নিজ সন্তানক হত্যা কৰি ট্ৰ'লীৰ ভিতৰত ভৰাই পেলাই দিয়াৰ যি ঘটনা মাতৃ দিৱসৰ দিনাই পোহৰলৈ আহিছে, সেই ঘটনাত সকলোৰে চকু কপালত উঠিছে। কোন সতে এগৰাকী মাতৃয়ে এনে জঘন্য ঘটনা সংঘটিত কৰিব পাৰে। এনে ঘটনাত আচলতে বৰ্তমান প্ৰত্যেকেই ভাষাহীন হৈ পৰিছে। সমাজখনত অন্যায়, অপৰাধপ্ৰৱণতা ইমান বেয়াকৈ শিপাইছে যে ইয়াক অতি সোনকালে নিৰ্মূল কৰাৰ প্ৰয়োজন, অন্যথা ইয়াতকৈও ভয়ংকৰ ঘটনাৰ সন্মুখীন হ'বলগীয়া হ'ব। কোনোৱে যদি স্বামীক কাটি টুকুৰা-টুকুৰ কৰি ৰেফ্ৰিজাৰেটৰত ভৰাই থৈছে, কোনোৱে আকৌ প্ৰেমিকাক মাৰি বস্তাত ভৰাই পথৰ দাঁতিত পেলাই থৈ গৈছে, কোনোৱে কণমানি ভাতৃক হত্যা কৰিছে আৰু কোনোৱে এইদৰে নিজ সন্তানক হত্যা কৰিছে। মুঠতে সকলো অপৰাধৰ ঘটনা এটাতকৈ আনটো চৰা। আইনে এনে অপৰাধপ্ৰৱণতা অতি কঠোৰভাৱে নিৰ্মূল কৰিব লাগিব অন্যথা ভৱিষ্যতলৈও এনে নৃশংস ঘটনা সংঘটিত হোৱাৰ আশংকা প্ৰৱল। অন্ততঃ মানুহে মানৱীয়তা, মমতাত নহ'লেও আইন আৰু শাস্তিৰ ভয়তেই যাতে এনে অপৰাধ সংঘটিত কৰাৰ পৰা দূৰত থাকে। গতিকে, আইন, প্ৰশাসনে অপৰাধ নিৰ্মূলৰ বাবে তেওঁলোকৰ নিজা ধৰণেৰে ব্যৱস্থা গ্ৰহণ কৰক আৰু সমাজৰ প্ৰতিগৰাকী সচেতন ব্যক্তিয়ে অন্যায়, অনৈতিকতা, অপৰাধৰ বিৰুদ্ধে সজাগতা আৰু সচেতনতাৰ সৃষ্টি কৰক, তেহে যদি স্খলন হ'বলৈ ধৰা সমাজখন সুস্থ হৈ উঠে আৰু এনে নৃশংসতাৰ যাতে পুনৰাবৃত্তি নহয়।

# ডিব্ৰুগড় জিলাৰ নাহৰকটীয়াত অনুষ্ঠিত প্ৰথমখন সম-জিলা পৰ্যায়ৰ ভূমি উপদেষ্টা সমিতিৰ বৈঠক



**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড় ঃ** নাহৰকটীয়া বিধানসভা সমষ্টিৰ বিধায়ক তৰংগ গগৈ, ডিব্ৰুগড় জিলাৰ জিলা আয়ুক্ত বিক্ৰম কৈৰী আৰু নাহৰকটীয়া সম-জিলা আয়ুক্ত সংঘমিত্ৰা বৰুৱাৰ উপস্থিতিত ১৫ মে' তাৰিখে নাহৰকটীয়াস্থিত লোক নিৰ্মাণ পথ বিভাগৰ পৰিদৰ্শন ভৱনৰ সভাগৃহত প্ৰথমখন 'সম-জিলা পৰ্যায়ৰ ভূমি উপদেষ্টা সমিতি'ৰ এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত ৰাজহুৱা প্ৰতিষ্ঠান তথা আন্তঃগাঁথনিৰ বাবে চৰকাৰী ভূমি আবণ্টনৰ বাবে লাভ কৰা প্ৰতিবেদনসমূহ উপস্থাপন কৰা হয় আৰু সমিতিয়ে এই প্ৰতিবেদনসমূহ পুংখানুপুংখভাৱে নিৰীক্ষণ তথা বিবেচনা কৰি নীতিগতভাৱে অনুমোদন জনায়। বৈঠকত নাহৰকটীয়া ৰাজহ চক্ৰৰ চক্ৰ-বিষয়া শৰৎ গগৈ, চক্ৰ বিষয়া সংলগ্ন মেৰী ৰালচুন, সহকাৰী আয়ুক্ত সেউজ সজীৱ নাথ প্ৰমুখ্যে অন্যান্য বিষয়াবৰ্গ উপস্থিত থাকে।

# এথেলৰ দীৰ্ঘজীৱনৰ ৰহস্য

■ সত্যব্ৰত বৰা

বৰ্তমান বিশ্বৰ সবাতোকৈ বয়োজ্যেষ্ঠ জীৱিত ব্যক্তি হিচাপে স্বীকৃত পোৱা এথেল কেটাৰহাম হ’ল এগৰাকী ১১৫ বছৰীয়ন ব্ৰিটিছ মহিলা। জেৰ’ন্ট’লজি ৰিচাৰ্চ গ্ৰুপৰ মতে, ১৯০৯ চনৰ ২১ আগষ্টত জন্মগ্ৰহণ কৰা এথেলৰ জীৱন এটা শতিকাৰো অধিক সময় ধৰি বিস্তৃত হৈ আছে। তেওঁৰ জীৱন কালছোৱাত বিশ্বখনে অভূতপূৰ্ব পৰিৱৰ্তনৰ সাক্ষী হৈছে। দুখনকৈ বিশ্বযুদ্ধ, ঔদ্যোগিক বিপ্লৱৰ পৰৱৰ্তী পৰ্যায়, প্ৰযুক্তিৰ অগ্ৰগতি আৰু সমাজৰ জীৱনশৈলীৰ আমূল পৰিৱৰ্তন ঘটিছে এই সময়ছোৱাত। কিন্তু এই সকলোবোৰৰ মাজতো এথেলৰ জীৱনশৈলী আৰু দৰ্শন অটল হৈ আছে। তেওঁৰ জীৱনৰ এটা সহজ নীতি আছিল। তেওঁ কাৰো সৈতে তৰ্ক কৰি পোৱা নাছিল। নিজৰ ভাল লগা কামবিলাক কৰাটো তেওঁৰ দীৰ্ঘজীৱনৰ মূল ৰহস্য হিচাপে বিবেচিত হৈছে।

এথেলৰ জন্ম হৈছিল এনে এটা যুগত যেতিয়া বিশ্বখন এতিয়াৰ দৰে সংযুক্ত বা প্ৰযুক্তিৰ ওপৰত নিৰ্ভৰশীল নাছিল। ১৯০৯ চনত জন্ম লোৱা এথেলে প্ৰথম বিশ্বযুদ্ধৰ আৰম্ভণি, মহামন্দা, দ্বিতীয় বিশ্বযুদ্ধ আৰু তাৰ পিছৰ বিশ্বৰ পুনৰ্গঠনৰ সাক্ষী হৈছে। এই সকলো ঘটনাৰ মাজেৰে তেওঁ এটা শান্ত, স্থিৰ আৰু সৰল জীৱন যাপন কৰি আহিছে। তেওঁৰ জীৱনৰ এই দীৰ্ঘ সময়ছোৱাই আমাক প্ৰশ্ন কৰিবলৈ বাধ্য কৰে- কি কাৰণে তেওঁ এতিয়াও সুস্থ আৰু জীৱিত? তেওঁৰ জীৱনৰ সৰল নীতিটোৱে এই প্ৰশ্নটোৰ উত্তৰ দিব পাৰে।

এথেলৰ মতে, তেওঁৰ দীৰ্ঘজীৱনৰ ৰহস্য হৈছে তেওঁৰ এই সিদ্ধান্ত যে তেওঁ কেতিয়াও কাৰো সৈতে তৰ্কত লিপ্ত হোৱা নাছিল। তেওঁ কয়, ‘মই অন্যই কি কৈছে শুনো আৰু তাৰ পিছত যি মোৰ ভাল লাগে তাকে কৰো।’ এই কথাষাৰত তেওঁৰ জীৱন দৰ্শনৰ সাৰাংশ নিহিত হৈ আছে। তৰ্ক বা বিবাদে মানসিক চাপৰ সৃষ্টি কৰে, যিটো শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ বাবে ক্ষতিকাৰক। আধুনিক বিজ্ঞানেও এই কথা সমৰ্থন কৰে যে দীৰ্ঘদিনীয়া মানসিক চাপে হৃদৰোগ, উচ্চৰক্তচাপ আৰু অন্যান্য স্বাস্থ্যজনিত সমস্যাৰ সৃষ্টি কৰিব পাৰে। এথেলৰ জীৱনৰ এই নীতিয়ে তেওঁক এনে মানসিক চাপৰ পৰা মুক্ত ৰাখিছে।

তেওঁৰ এই দৰ্শনৰ আন এটা গুৰুত্বপূৰ্ণ দিশ হ’ল স্বাধীনতা আৰু আত্মনিৰ্ভৰশীলতা। ‘মই যি ভাল লাগে তাকে কৰো’ বুলি কৈ তেওঁ এই কথাটোৰ ওপৰত জোৰ দিছে যে তেওঁ নিজৰ জীৱনৰ নিয়ন্ত্ৰণ নিজৰ হাতত ৰাখিছে। সমাজৰ চাপ, পৰিয়ালৰ দাবী বা অন্যৰ মতামতৰ পৰিৱৰ্তে তেওঁ নিজৰ পছন্দ আৰু আনন্দক প্ৰাধান্য দিছে। এই আত্মনিৰ্ভৰশীলতাই তেওঁক এটা সুষম আৰু সুখী জীৱন যাপন কৰাত সহায় কৰিছে।

এথেলৰ জীৱনৰ বিষয়ে আমি যি জানো, তাৰ পৰা এইটোও স্পষ্ট যে তেওঁৰ জীৱনশৈলী অতি সৰল আৰু নিৰ্মল। তেওঁ সদায় সক্ৰিয় হৈ আছে, স্বাস্থ্যসন্মত খাদ্য গ্ৰহণ কৰি আহিছে। কিন্তু তেওঁৰ এই দীৰ্ঘজীৱনৰ অন্তৰালত কেৱল শাৰীৰিক স্বাস্থ্যই নহয়, মানসিক শান্তিৰো গুৰুত্বপূৰ্ণ ভূমিকা আছে। তেওঁৰ অনাহক কথা বতৰাৰ পৰা আঁতৰি থকাৰ নীতিয়ে তেওঁক মানসিকভাৱে সুস্থিৰ ৰাখিছে, যিটো তেওঁৰ দীৰ্ঘজীৱনৰ এটা মূল কাৰণ।

আজিৰ বিশ্বখনত মানুহৰ জীৱন মানসিক চাপ, উদ্বেগ আৰু প্ৰতিযোগিতাৰে ভৰপূৰ। এনে ক্ষেত্ৰত এথেলৰ এই দৰ্শন অতি প্ৰাসংগিক। আমাৰ দৈনন্দিন জীৱনত আমি অপ্ৰয়োজনীয় কথাত বা তৰ্কত লিপ্ত হওঁ। এনে বিবাদ হ’ব পাৰে পৰিয়ালৰ সৈতে, কৰ্মক্ষেত্ৰত বা সামাজিক মাধ্যমত। এই তৰ্কবোৰে আমাৰ শক্তি ক্ষয় কৰে আৰু মানসিক শান্তি নষ্ট কৰে। এথেলৰ পৰা আমি শিকিব পাৰো যে তৰ্কৰ পৰা আঁতৰি থাকি আমি নিজৰ মানসিক শান্তি ৰক্ষা কৰিব পাৰো। তেওঁৰ এই নীতিয়ে আমাক এইটোও শিকায় যে জীৱনত সকলো সময়ত জয়ী হোৱাৰ প্ৰয়োজন নাই; কেতিয়াবা শান্ত হৈ শুনা আৰু নিজৰ পথ বাছি লোৱাটোৱেই অধিক গুৰুত্বপূৰ্ণ।

এথেলৰ জীৱনৰ আন এটা গুৰুত্বপূৰ্ণ দিশ হ’ল তেওঁৰ সময়ৰ সৈতে খাপ খুৱাই চলাৰ ক্ষমতা। এটা শতিকাৰো অধিক সময় জীয়াই থকা এগৰাকী মহিলাৰ বাবে বিশ্বৰ পৰিৱৰ্তনৰ সৈতে খাপ খুৱাই চলাটো সহজ নাছিল। কিন্তু তেওঁৰ শান্ত আৰু স্থিৰ মানসিকতাই তেওঁক এই পৰিৱৰ্তনবোৰ গ্ৰহণ কৰাত সহায় কৰিছে। তেওঁৰ জীৱনৰ এই দিশটোৱে আমাক শিকায় যে জীৱনৰ পৰিৱৰ্তনক ভয় নকৰি গ্ৰহণ কৰাটোহে গুৰুত্বপূৰ্ণ।

এথেলৰ জীৱনৰ পৰা আমি এইটোও শিকিব পাৰো যে সুখ আৰু দীৰ্ঘজীৱনৰ বাবে জটিল সমাধানৰ প্ৰয়োজন নাই। তেওঁৰ জীৱনৰ সৰলতা আৰু শান্তিপূৰ্ণ মানসিকতাই তেওঁক এই অভূতপূৰ্ব দীৰ্ঘ জীৱন প্ৰদান কৰিছে। আজিৰ দিনত, যেতিয়া আমি স্বাস্থ্যৰ বাবে বিভিন্ন ডায়েট, ব্যায়াম আৰু জীৱনশৈলীৰ কথা কওঁ তেনেস্থলত এথেলৰ এই সৰল নীতিয়ে আমাক এক নতুন দৃষ্টিভংগী দিয়ে। তেওঁৰ জীৱনৰ পৰা আমি শিকিব পাৰো যে মানসিক শান্তি আৰু সৰলতাই আমাৰ জীৱনক অধিক সুন্দৰ আৰু দীৰ্ঘ কৰিব পাৰে।

এথেলৰ এই দৰ্শন আমাৰ সমাজখনৰ বাবেও এক শিক্ষা। আমাৰ সমাজত প্ৰায়ে তৰ্ক, বিবাদ আৰু প্ৰতিযোগিতাই প্ৰাধান্য পায়। কিন্তু এথেলৰ জীৱনৰ পৰা আমি শিকিব পাৰো যে শান্তি আৰু সহানুভূতিৰে জীৱন যাপন কৰিলে আমি কেৱল নিজৰ জীৱনকেই নহয়, আমাৰ চৌপাশৰ মানুহৰ জীৱনকো উন্নত কৰিব পাৰো। তেওঁৰ এই নীতিয়ে আমাক সোঁৱৰাই দিয়ে যে জীৱনত সৰলতা আৰু শান্তিয়ে আমাক সঁচাকৈয়ে সুখী কৰিব পাৰে।

এথেল কেটাৰহামৰ জীৱন এখন জীৱন্ত প্ৰেৰণা। তেওঁৰ ১১৫ বছৰৰ জীৱনৰ পৰা আমি শিকিব পাৰো যে জীৱনৰ প্ৰতিটো মুহূৰ্তক গ্ৰহণ কৰি, তৰ্কৰ পৰা আঁতৰি থাকি আৰু নিজৰ পছন্দক প্ৰাধান্য দি আমি এক সুন্দৰ আৰু দীৰ্ঘ জীৱন যাপন কৰিব পাৰো। তেওঁৰ এই সৰল নীতি আমাৰ বাবে এক মূল্যবান শিক্ষা, যিটো আমি আমাৰ দৈনন্দিন জীৱনত প্ৰয়োগ কৰি আমাৰ জীৱনক অধিক সুন্দৰ কৰিব পাৰো।

# নগাঁৱত অংকীয়া ভাওনাৰ সংলাপ প্ৰতিযোগিতা

## অংকীয়া ভাওনাক নৱ প্ৰজন্মৰ মাজত প্ৰচাৰ কৰা প্ৰয়োজন ঃ ৰূপক শৰ্মা

**বিশেষ সংবাদদাতা, নগাঁও ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অপূৰ্ব সৃষ্টি অংকীয়া ভাওনাৰ প্ৰচাৰ আৰু নৱপ্ৰজন্মক ইয়াৰ প্ৰতি আগ্ৰহী কৰিবৰ বাবে নগাঁৱত প্ৰথম বাৰৰ বাবে ব্যতিক্ৰমী ৰূপত অনুষ্ঠিত হয় অংকীয়া ভাওনাৰ সংলাপ প্ৰতিযোগিতা। নগাঁৱৰ অন্যতম সাংস্কৃতিক অনুষ্ঠান কলং নাট্যগোষ্ঠীৰ উদ্যোগত নগাঁও নাট্য মন্দিৰত এই প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাৰ আৰম্ভণিতে সদ্য প্ৰয়াত বৈষ্ণৱ পণ্ডিত তিলক চন্দ্ৰ মজুমদাৰৰ স্মৃতিত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। নগাঁৱৰ বিধায়ক ৰূপক শৰ্মাই প্ৰতিযোগিতা আনুষ্ঠানিকভাৱে উদ্বোধন কৰি কয় মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অনুপম সৃষ্টি অংকীয়া ভাওনাৰ সংলাপৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰি কলং নাট্য গোষ্ঠীয়ে এক প্ৰশংসনীয় পদক্ষেপ গ্ৰহণ কৰিছে। অংকীয়া ভাওনাৰ বচন বা সংলাপ শুদ্ধ আৰু সঠিকভাৱে উপস্থাপন কৰাটো প্ৰয়োজন। আমি গৌৰৱ অনুভৱ কৰো যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্ম নগাঁৱৰ বটদ্ৰৱাত হৈছিল। বটদ্ৰৱাতেই গুৰুজনাই চিহ্নযাত্ৰা ভাওনাৰ জৰিয়তে ভাওনাৰ পাতনি মেলিছিল। অংকীয়া ভাওনাক নৱপ্ৰজন্মৰ মাজত প্ৰচাৰ কৰাটো প্ৰয়োজন বুলি বিধায়ক গৰাকীয়ে গুৰুত্বপূৰ্ণ মন্তব্য কৰে। অনুষ্ঠানত প্ৰাক্তন বিধায়ক ডাঃ দুৰ্লভ চমুৱাই অংশগ্ৰহণ কৰি নিজৰ ভাষণত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অনবদ্য সৃষ্টি অংকীয়া ভাওনাৰ বিভিন্ন দিশ উল্লেখ কৰি কয় কৃষ্ণ ভক্তিৰ জৰিয়তে সমাজলৈ এক বাৰ্তা প্ৰেৰণ কৰি থৈ গৈছে। অনুষ্ঠানত নামঘৰ মহাসভাৰ সভাপতি দীপক শইকীয়া, শিক্ষক দ্বিজেন শৰ্মা, শিক্ষাবিদ ড° ফটিক তামুলী আদিয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ আতধৰে কলং নাট্যগোষ্ঠীৰ সম্পাদক কনক শইকীয়া আৰু নাট্যকাৰ পবিত্ৰ কলিতাই। প্ৰতিযোগিতা অনুষ্ঠিত হোৱাৰ আগতে নৱৰূপ জাতীয় বিদ্যাপীঠৰ শিশু শিক্ষাৰ্থীসকলে গায়ন, বায়ন প্ৰদৰ্শন কৰে। প্ৰতিযোগিতাত প্ৰায় ৩০ গৰাকীৰো অধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। মহাপুৰুষ শংকৰদেৱৰ বিৰচিত অংকীয়া ভাওনাক একাংশই বিকৃত কৰাৰ চেষ্টা কৰি থকাৰ সময়তে কলং নাট্যগোষ্ঠীৰ এই ব্যতিক্ৰমী পদক্ষেপক সকলোৱে দৃষ্টি আকৰ্ষণ লগতে প্ৰশংসনীয় পদক্ষেপ হিচাপে বিবেচিত হৈছে।

# নগাঁৱৰ চামগুৰিত উপস্থিত কেন্দ্ৰীয় পঞ্চায়ত আৰু কৃষি বিভাগৰ মন্ত্ৰী শিৱৰাজ সিং চৌহান

**বিশেষ সংবাদদাতা, নগাঁও ঃ** কেন্দ্ৰীয় চৰকাৰৰ পঞ্চায়ত আৰু কৃষি বিভাগৰ মন্ত্ৰী শিৱৰাজ সিং চৌহান নগাঁও জিলাৰ চামগুৰিৰ ভেলেউগুৰি স্থিত ‘কুঁহি টি বাৰত’ উপস্থিত হৈ জিলাখনৰ প্ৰায় ৫০গৰাকী লাখপতি আৰু মহালাখপতি বাইদেউৰ লগত বাৰ্তালাপ কৰে। কেন্দ্ৰীয় মন্ত্ৰী গৰাকীয়ে উক্ত অনুষ্ঠানত এন আৰ এল এম গোটৰ মহিলাসকলে নিজৰ স্বাৱলম্বিতা কিদৰে কৰিছে আৰু ৰাজ্য চৰকাৰৰ তৰফৰ পৰা কি কি সুবিধা লাভ কৰিছে সেই সন্দৰ্ভত মহিলাসকলৰ লগত বাৰ্তালাপ কৰাৰ উপৰিও এন আৰ এল এম গোটৰ মহিলাসকলে নিজে উৎপাদন কৰা সামগ্ৰী সমূহ পৰ্যবেক্ষণ কৰে। মন্ত্ৰী গৰাকীয়ে এন আৰ এল এম গোটৰ কামকাজত সন্তুষ্টি প্ৰকাশ কৰাৰ লগতে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এন আৰ এল এম গোট আৰু আত্মসহায়ক গোট সমূহৰ বাবে গ্ৰহণ কৰা উন্নয়নমূলক আঁচনি সমূহৰ বাবে মুখ্যমন্ত্ৰী গৰাকীক ধন্যবাদ জ্ঞাপন কৰে। আনহাতে, কেন্দ্ৰীয় মন্ত্ৰী চৌহানে লাখপতি বাইদেউ সকলক উদ্দেশ্যি কয় যে আমাৰ মূল উদ্দেশ্য হ’ব লাগে কিদৰে আমি লাখপতি বাইদেউসকলক মহালাখপতি বাইদেউ কৰি গঢ়ি তুলিব পাৰো। ইয়াৰ বাবে সকলো মহিলাক আত্মসহায়ক গোটৰ লগত জড়িত হ’বৰ বাবে মন্ত্ৰী গৰাকীয়ে আহ্বান জনায়। অনুষ্ঠানত নগাঁও জিলা আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহ, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মনোজ কুমাৰ চিকাৰীয়াকে প্ৰমুখ্য কৰি জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

# শিৱসাগৰত ভাৰতীয় জনতা পাৰ্টিৰ বিশাল ত্ৰিৰংগা যাত্ৰা



**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** শত্ৰু দেশ পাকিস্তানত থকা সন্ত্ৰাসবাদীৰ ঘাটি উচ্ছেদ কৰিবলৈ ভাৰতীয় সেনাই শেহতীয়াকৈ ‘অ’পাৰেচন সেন্দুৰ’ নামেৰে এক সফল অভিযান সমাপ্ত কৰিলে। ভাৰতীয় বীৰ সেনাই দেখুওৱা এই পৰাক্ৰমত আনন্দিত শিৱসাগৰ জিলা বিজেপিও। উল্লেখ্য যে, ‘অ’পাৰেচন সেন্দুৰ’ৰ সফলতাৰ লগত সংগতি ৰাখি ১৭ মে’, শনিবাৰে শিৱসাগৰ চহৰত ১৮ ফুট দৈৰ্ঘ্যৰ ৰাষ্ট্ৰীয় পতাকা লৈ জিলা বিজেপিৰ উদ্যোগত ‘ত্ৰিৰংগা যাত্ৰা’ শীৰ্ষক এক সমদল বাহিৰ কৰা হয়। শিৱসাগৰ জিলা বিজেপিৰ কাৰ্যালয়ৰ পৰা জিলা সভাপতি বিতুপন ৰাইদঙীয়াৰ নেতৃত্বত আৰু বিধায়ক সুশান্ত বৰগোহাঁই তথা বিজেপি নেতা তথা প্ৰাক্তন বিধায়ক কুশল দুৱৰীৰ উপস্থিতিত বাহিৰ কৰা সমদলত কেইবা শতাধিক কাৰ্যকৰ্তাই হাতে হাতে ৰাষ্ট্ৰীয় পতাকা লৈ ‘ভাৰতীয় সেনা জিন্দাবাদ’, ‘ভাৰত মাতা কি জয়’, ‘বন্দে মাতৰম’ আদি ধ্বনিৰে জনসাধাৰণৰ দৃষ্টি আকৰ্ষণ কৰে। আনহাতে এই ত্ৰিৰংগা যাত্ৰাৰ জৰিয়তে ভাৰতীয় সেনা বাহিনীৰ বীৰত্বক সন্মান জনোৱাৰ লগতে শ্বহীদ সেনাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদন কৰে বিজেপিৰ কৰ্মী সকলে।

# মৰমৰ আলিবাট বিচাৰি

■ অনামিকা (সংগীতা) কলিতা
শুৱালকুছি

ঃ তিনিকুৰি দহ বছৰ হ'বলৈ আৰু এটা বছৰ বাকী থকা বয়সতো চেনেহী আইৰ তজবজীয়া মনটো যেন সতেজ হৈ আছে। দোকমোকালিতে বিচনা এৰি বাহী চোতালখন এমূৰৰ পৰা বাঢ়নী লগোৱা, গোহালিৰ গাই কেইজনী ক্ষীৰোৱা আদি কাম কৰিবলৈ বাধা দিলেও কৰি আহিছে।

পিছে আজি হেনো কামখিনিৰ বাবে মানুহ লগাব। গতিকে গোহালিৰ কাষতে ৰখা কিছু বাঁহ-খেৰ জ্বলাই পানীখিনি গৰম কৰিলে। এই ফালে ঘন কুঁৱলীয়ে লাহে লাহে অঞ্চলটোৰ চৌপাশ ঘেৰি ধৰিলে। প্ৰাতঃভ্ৰমণৰ বাবে অহা তিৰোতা কেইগৰাকীক দেখি চেনেহী আইয়ে মাত লগালে।

ঃ আজি মই যাব নোৱাৰিম দিয়া। গমেইটো পোৱা, আটাইকেইজনী অলপ সোনকালে আহিবা।

পৰিয়ালৰ বাকী কেইজন সাৰ পোৱালৈ গাটো তিয়াই গোসাঁই ঘৰৰ থাপনাত বন্তি জ্বলাই 'নাম বস্তু'খিনি লৈ উঠিল।

বহুদিনৰ মূৰত পুৰণি কাঠৰ চন্দুকটো খুলি কাপোৰেৰে বান্ধি থোৱা সৰু টোপোলাটো খুলি সাঁচতীয়া সোণৰ দুগদুগীটো উলিয়াই কিছু সময় থমকি ৰ'ল।

'আজি তেখেত থকাহেঁতেন নিজ হাতেৰে পিন্ধাই দিলেহেঁতেন' পুৰণি কথাবোৰ মনলৈ অহাত ক্ষন্তেকৰ বাবে আৱেগিক হৈ চকুলো টুকিলে।

এনেতে ডাঙৰ নাতিনীয়েকজনীয়ে ম'বাইলটো খুলি আইয়েকৰ ওচৰ চাপিল।

চোৱাচোন আইতা মোৰ ফ্ৰেণ্ডবোৰে কিমান ধুনীয়া ধুনীয়া নামবোৰ পঠাইছে, ইয়াৰ পৰা ভাল নাম এটা ৰাখিব লাগিব।

ঃ আইজনী এইবোৰ নাম আমাৰ জিভাত নুঘুৰে, অলপ সহজ নাম ৰাখিবি।

ঃ আজিকালি, ৰাম, হৰি নাম নচলে আইতা, মই দুটা নাম ভাবি থৈছো..।

পিছমুহূৰ্ত তাই মাকৰ ৰুমটোলৈ সোমাই গৈ ম'বাইলটো সন্মুখত ৰাখি নামবোৰ এফালৰ পৰা দেখুওৱাই গ'ল।

মাকে তাইৰ মুখত এটা নতুনত্বৰ চাৱনী অনুভৱ কৰিলে। কিছুসময় চাই থাকিল ..... 'সঁচাকৈয়ে তাই গাভৰুজনী হৈ উঠিছে, আজিৰ প্ৰজন্ম ম'বাইলত সকলো কথা জানিব পাৰে সময় সলনি হ'ল, এই বয়সত আমি সন্তান জন্ম দিয়াটোক লৈ তাই বা কি ভাবিছে।

ছেহঃ কি বোৰ যে মনলৈ আহে। নিজকে চম্ভালি তাইৰ কথাত মাত লগালে।

ঃ অ' মাইনা ভালেই লাগিছে, পিছে এই আখৰ দুটাৰ নাম ৰাখিব লাগিব বুলি তই কেনেকৈ জানিলি।।

ঃ তোমাৰ খবৰটো পোৱাৰ পিছৰ দিনা আইতাই নামঘৰত ধূপ-চাকি জ্বলাই অনিৰুদ্ধ খুৰাৰ ঘৰলৈ গৈছিল। তেওঁ পঞ্জিকা চাই কৈছে হেনো।

ঃ দেখিছা আই তাইৰ তোমালোকলৈ কিমান মৰম....? হ'ব দে তোমাৰ পচন্দৰ নামটোকে ৰাখিম।

জীয়েকৰ মুখমণ্ডত পৰিস্ফুট হোৱা হাঁহিকণ দেখি মাক অনুৰে মনে মনে প্ৰাৰ্থনা কৰিলে। 'ভগৱান মোৰ তিনিওটা প্ৰাণক নিস্বাৰ্থভাৱে আকোঁৱালি লোৱাৰ বাবে যাতে শক্তি দিয়া..। মৰমৰ বিভাজন নকৰা।'

মেঘফলা আকাশৰ সুৰুঙাৰে পুহমাহৰ পুৰ্ণিমাৰ এছাটি শীতল জোনাকে যেন পোহৰাই তুলিলে অমৃত বৰুৱাৰ পদূলি।

আশাত বন্দী মানুহে জীৱনত কি নিবিচাৰে ..? যদি বিচৰা মতে ফল লাভ কৰে তেন্তে আনন্দৰ বৈন্য বিয়পি পৰাটো স্বাভাৱিক। বৰুৱাৰ নীৰস উদ্যানক সৰস অমৰাৱতীলৈ ৰূপান্তৰ কৰিলে। কিয়নো দহটা বছৰ অন্ততঃ বৰুৱাই পুত্ৰ সন্তানৰ বাপেক হ'ল। পৰিয়ালৰ ধাৰাবাহিকতা অবিহনে ধন সম্পত্তিৰ কোনো মূল্য নাথাকে, গতিকে সাংসাৰিক জীৱনত 'সন্তান' এজন মাক-দেউতাকৰ মনত সাতোৰঙীণ সপোনে স্বৰূপ। পিছে সপোন সাগৰত বুৰ গৈ এগালমান জন্ম দিয়াটো কাম্য নহয়। ল'ৰাই হওঁক বা ছোৱালীয়েই হওঁক সিহঁতক লালন পালন কৰি উপযুক্তভাৱে গঢ়ি তোলাতো পিতৃ-মাতৃৰ নৈতিক দায়িত্ব। এই কথা উপলব্ধি কৰি বৰুৱাই দুইজনী ছোৱালী জন্ম হোৱাৰ পিছত আৰু সন্তান মুঠেই বিচৰা নাছিল, কিন্তু পুৰণিকলীয়া ধ্যান ধাৰণাৰ সৈতে সংপৃক্ত বৰুৱাৰ মাতৃয়ে একমাত্ৰ বোৱাৰীজনীক প্ৰায়ে বিভিন্ন কথা শুনাই হেঁচা প্ৰয়োগ কৰি আহিছিল। যাহওঁক বহু প্ৰতীক্ষা আৰু উদিগ্নতাৰ অন্ততঃ পৰিয়ালৰ সকলোৰে মনত হাঁহি বিৰিঙি উঠিল।

মাঘমাহৰ শুক্লা দ্বাদশী তিথিৰ সেই বিষয়ে দিনটোত আলহী-অতিথিৰে ভৰি পৰিল বৰুৱাৰ পদূলি।

আড়ম্বৰপূৰ্ণ আয়োজন গণনা কাৰ্যৰ। সকলোৰে আশা অংকিত হওঁক নৱজাতকৰ স্বৰ্ণময় জীৱনৰ এখন সুন্দৰ ভৱিষ্যতৰ দলিল।

সকলো গণি-পিতি চাই জ্যোতিষী অনিৰুদ্ধ গোস্বামীয়ে সোঁৱৰণীখন হাতত তুলি ল'লে।

এইফালে নাতিনীয়েকৰ ভূত-ভৱিষ্যত জনাৰ আগ্ৰহেৰে চেনেহী আই ওচৰতে বহিল।

গোস্বামীয়ে কিছু মন্ত্ৰ উচ্চাৰণ কৰি সোঁৱৰণীখন মাতি শুনালে ..

ঃ জাতকৰ নামৰ আদি আখৰ 'ৰ' আৰু 'ত' অনুসৰি ব্যক্ত নাম 'ৰৌণক বৰুৱা' গুপ্তনাম 'তাৰ্কিক বৰুৱা'

ঃ সপ্তমত গুৰু বৃহস্পতিৰ অৱস্থান প্ৰাপ্তি হোৱা বাবে জাতক বিদ্যান, বুদ্ধিমান ধনবান হোৱা যুগ আছে।...

ঃ দেৱগন আৰু ম'হ অস্থি লাভ কৰা বাবে মিত্ৰ স্থানৰ পৰা সহায় পাব আৰু জাতক ধীৰ-স্থিৰ হ'ব।

ঃ ৰাহু, কেতুৰ দশা থকা বাবে জন্মৰ পৰা সাত দিন, সাতমাহ, সাত বছৰ, সোতৰ বছৰ বয়সত দুৰ্ঘটনা, জুই, পানী আদিৰ পৰা ভয় আছে।

আদি বিভিন্ন কথাৰে পিতৃ-মাতৃ তথা পৰিয়ালৰ মানসিক সন্তুষ্টিৰ লগতে ভৱিষ্যতে ল'ৰাটোৰ ক্ষেত্ৰত সতৰ্ক হোৱাৰ ইংগিত প্ৰদান কৰি সোঁৱৰণীখনেৰে বুজাই দিলে।

ইয়াৰ পিছতে চেনেহী আইয়ে ততাতৈয়াকৈ উঠি গৈ ৰাতিপুৱাই উলিয়াই থোৱা বড়াদাঁত লগোৱা সোণৰ দুগদুগীটো লৈ আহিল। আচলতে সেই একেটা দিনতে চেনেহী আইৰ কোলা শুৱনি কৰিবলৈ আহিছিল অমৃত বৰুৱা। পাঁচজনী ছোৱালীৰ পিছত একমাত্ৰ ল'ৰা সন্তান প্ৰাপ্তিৰে বৰুৱাৰ বংশটো পূৰ্ণতা লাভ কৰা বাবে ককায়েকে তাৰ নাম ৰাখিছিল। অমৃত 'মানুহৰ নজৰ লাগে বুলি সৰুতে তাৰ গলত আঁৰি দিছিল সেই বড়াদাঁত লগোৱা দুগদুগীটো, যিটো চেনেহীয়ে সযতনে ৰাখি থৈছিল।

দুগদুগীটো পিন্ধাবলৈ গৈ চেনেহী আইৰ মুখখন সেমেকি উঠিল। কাষৰ ৰুমটোৰ ভিতৰলৈ সোমাই গৈ বোৱাৰীকৰ উদ্দেশ্য ভোৰভোৰাই উঠিল।

ঃ তই এই ফুল কুমলীয়া কেঁচুৱাটোক কোচত দিবলৈ মানুহ বিচাৰি নাপালি। নাজানা নেকি তাইৰ নিজৰ সন্তানটো কেনেকুৱা। যদি তাইৰ হি-হা লাগে কি কৰিবা...? কিমান প্ৰাৰ্থনা কৰি এক চিৎকাৰ মুখ দেখিলোঁ তাৰো মূৰখাব ওলাইছ।

শাহুমাকৰ আস্ফালন দেখি বোৱাৰীয়েক অনুৰ ৰাগ খঙৰ লগতে লাজে জুমুৰি ধৰিলে।

ঃ মা আজিৰ এই সময়ত এইবোৰ কথা নক'ব, মানুহে কি ভাবিব। তাই বেচেৰীয়ে শুনিলে দুখঃ পাব। ৰাতিপুৱাৰ পৰা সমস্ত কাম তাইৰ হতুৱাই কৰি আছো। ইমান বেয়া চিন্তা কৰিব নাপায়।

হাজাৰ দুখঃ-কষ্ট, অভাৱ-অনাতনৰ মাজতো তাই সাহসেৰে সেই সন্তানটোক ভগৱানৰ আশীৰ্বাদ বুলি ভাৱি নিজৰ সংসাৰখন চলাই আছে। আপুনি জানো পাৰিব? আপোনাৰ বয়স হৈছে এই অৰ্থহীন কথাবোৰ এৰাই চলক।

ঃ মোক জ্ঞান দিব নালাগে, ছয়টা সন্তান অকলে ডাঙৰ কৰিছো। আজিও মনত আছে সেই বাজি গৰাকীৰ কোলাত কেঁচুৱাটো নিদিয়াহেঁতেন অমৃতৰ এজন কান্ধ সমনীয়া ভায়েক থাকিলহেঁতেন।

ঃ মা আজিৰ এই শুভ দিনত এইবোৰ অমঙ্গলীয়া কথা নুলিয়াব, অন্ততঃ এই সময়খিনি যাবলৈ দিয়ক। হ'ব, মোৰ ভুল হৈছে, ক্ষমা কৰিব।

কথাখিনি কৈ চলচলীয়া চকুহাল মুচি অনু বাহিৰলৈ ওলাই গৈ মালতীৰ পৰা কেঁচুৱাটো তুলি ল'লে।

এইফালে চেনেহী আইয়েও লাহে লাহে আঁতৰি গৈ সমনীয়া অতিথি কেইজনীৰ কাষত বহিল।

ঃ আইসকলে খোৱা-লোৱা কৰিলে নে? বেয়া নাপাবা দেই, মই সেইফালে ব্যস্ত থকা বাবে আপোনলোকৰ খবৰ ল'ব পৰা নাই।

ঃ সকলোখিনি হৈছে, পিছে অমৃতৰ বায়েক কেইজনীক দেখা নাই চোন চেনেহী, অহা নাই নেকি?

ঃ মাজৰ দুজনী আহিছে, ভিতৰত কামত ব্যস্ত হৈ আছে...। ডাঙৰজনীৰ ভৰিৰ অসুখটো ভাল পোৱা নাই, এইফালে দ্বিতীয়জনীৰ ল'ৰাৰ বিয়া, সৰুজনীটো বাহিৰতে থাকে।

ঃ নাজানো আই, আজিকালি ডেকা-তিৰোতা বিলাকৰ দেখোঁ বিহ বেমাৰটো বেছি হৈছে।

ঃ পৰিশ্ৰম কম যে, আমাৰ দিনৰ দৰে খেতিবাতি পৰা আৰম্ভ কৰি ভাত ৰন্ধালৈ সকলো কাম কৰিব নলগা হ'ল যে, এতিয়া এইবোৰ সহজ হৈ পৰিল, যোৰ কাম বুলিবলৈ নাইকীয়া হ'ল, তাতে বজৰুৱা খাদ্য

ঃ নক'ব, খাদ্যই বহুত মানুহক ৰোগীয়া কৰিছে, বিনা সাৰে কোনো ফচল উৎপাদন নকৰে।

ঃ পিছে নাতিৰ আখৰাখন বেয়া নহয়, ভালদৰে ৰাখিবা..।

ঃ আজিকালিৰ ল'ৰা-বোৱাৰী, আমাৰ কথা কি শুনিব। সিহঁতৰ ভালেই ভাল। পিছে মই কিছুমান কথা সহ্য কৰিব নোৱাৰো, ফটা মুখ কৈ দিয়া যায়, ইয়াৰ বাবে গালিও খাওঁ।

এইদৰে সমনীয়াসকলৰ সৈতে ভালেমান বাৰ্তালাপ কৰি চেনেহী আইৰ মনটো কিছু শিথিল হ'ল যদিও দুগদুগীটো পিন্ধোৱা নহ'ল।

দিনটোৰ সফল সামৰণি পেলাই বৰুৱাই কিছু সময়ৰ বাবে বিশ্ৰাম ল'লে।

সেই মুহূৰ্তত মাক চেনেহী ৰুমটোৰ ভিতৰত সোমাই আহিল।

ঃ শুনিছা অমৃত, জ্যোতিষীয়ে কোৱা মতে ল'ৰাটোৰ গ্ৰহ দোষ আছে, গতিকে কোৱা মতে তহঁতে নিয়মবোৰ পালন কৰিবি। এইটো লোৱা সৰুতে তোক পিন্ধাইছিলো।

ঃ এইটো ক'ত পালা। অ' মোৰ অলপ অলপ মনত পৰিছে, থিকে আছে মা এতিয়া ইয়াৰ ছালখন কোমল হৈ আছে অলপ ডাঙৰ হ'লে তুমিয়ে পিন্ধাই দিবা।

তেতিয়ালৈ অনুৰে একষাৰো কথা কোৱা নাছিল। লাহেকৈ বিচনাৰ পৰা উঠি গৈ কেঁচুৱাটি কোলাত তুলি দিলে।

চেনেহী আইয়ে পৰম সন্তোষে কেঁচুৱাটোৰ কপালত চুমা খাই থাপনাৰ নিৰ্মালী অলপ মূৰত দিলে।

বিভিন্ন অজুহাতত শাহু-বোৱাৰীয়েক মাজত কথাৰ কটাকটি হৈ থাকে। কিন্তু কোনো দিনে বৰুৱাই সিহঁতৰ মাজত সোমোৱা নাছিল। সেই দিনা মাক ৰুমৰ পৰা ওলাই যোৱাৰ পাচত বৰুৱাই ঘৈণীয়েকক বুজালে।

ঃ মানুহৰ প্ৰতিটো স্তৰৰ সুকীয়া সৌন্দৰ্য থাকে। বৃদ্ধ ব্যক্তি এজনৰ উপস্থিতিয়ে পৰিয়াল এটাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। মাৰ বয়স হৈছে কিছুমান কথা এৰাই চলিবা।

দেউতাৰ মৃত্যুৰ পিছত মাইয়ে ঘৰখন কেনেকৈ চলাইছিল মই জানো। মনত পৰে সেই দিনা উৎকট গৰম। জোনাকৰ পোহৰত চোতালতে পাৰি থোৱা খাটখনত ধঁপাত হুপি হুপি দেউতাই বিশ্ৰাম লৈ আছিল, কাষতে মাই বিচনীৰে বা দি আছিল। বি এচ চি পৰীক্ষাৰ প্ৰস্তুতিৰ বাবে মই ধানৰ ভঁড়াল ঘৰটোৰ কাষতে থকা ৰুমটোত পঢ়ি আছিলো। এনেতে মাৰ চিএঞৰ শুনিলো। লগে লগে মই লৰৰি গ'লো। মাই সাৰতি ধৰি হুকহুকাই কান্দিবলৈ ধৰিলে, ততাতৈয়াকৈ মই চাইকেলখন লৈ ডাক্তৰক মাতি আনিলো যদিও দেউতা আৰু নাই। হাৰ্ট ষ্টোক হৈছিল।

অৱশ্যে বাইদেউ আটাইকেইজনীক বিয়া দিয়া শেষ কৰিছিল। ঘৰখন খালী হৈ পৰাত মইয়ে মাৰ একমাত্ৰ সাঁৰথি হৈ পৰিলোঁ। বেলেগ চাকৰিৰ কথা চিন্তা নকৰি গাঁৱৰে ভেনচাৰ স্কুলত সোমালো। পাচত স্কুলখন চৰকাৰে ল'লে। তেনেকৈ চাকৰিৰ সমান্তৰালকৈ খেতিবাতিখিনি চম্ভালি আহিছো। অতীতৰ কথাবোৰ কৈ কৈ বৰুৱা কিছু আৱেগিক হৈ পৰিল।

ঃ মানুহৰ জীৱনত ঘাট-প্ৰতিঘাট থাকেই, এতিয়া আমাৰ প্ৰধান কাম হ'ল ইহঁতক মানুহ কৰা। দায়িত্ব আগতকৈ বাঢ়িল, তাতে আপুনি এজন শিক্ষক।

সময় বাগৰি গ'ল। ৰৌণক ডাঙৰ হৈ আহিল তাক এখন প্ৰাইভেট স্কুলত নাম লগাই দিলে। অৱশ্যে ছোৱালী দুজনী দেউতাকৰ স্কুলত পঢ়ে। ডাঙৰজনী নৱম শ্ৰেণীত সৰুজনী ষষ্ঠ শ্ৰেণীত। পঢ়াৰ সমান্তৰালকৈ সিহঁতে মাকক অলপ ঘৰুৱা কামত সহায় কৰিও দিব পৰা হৈছে। অতিমাত্ৰা মৰমে সন্তান নষ্ট কৰে এই কথা উপলব্ধি কৰি অনুৰে ছোৱালী কেইজনীক যিদৰে লালন পালন কৰিছিল ল'ৰাটোৰ ক্ষেত্ৰটো একেই কৰিছিল। কিন্তু আইতাকে কিছুমান ক্ষেত্ৰত হস্তক্ষেপ কৰিছিল ইয়াক লৈ মতান্তৰ ঘটিছিল।

বয়সৰ লগে লগে মানুহ মৰম আলসুৱা হৈ পৰে, অলপ কথাতে হীনমন্যতাত ভোগে, আশ্ৰয়হীনতা অনুভৱ কৰে। নাতিনীয়েকৰ এটা ঘটনাৰ বাবে চেনেহী আইয়ে তেনে এক পৰিস্থিতিৰ সন্মুখীন হয়।

সেইদিনা স্কুলৰ পৰা খৱৰ আহিল যে খেলি থাকোতে ৰৌণক কেনেবাকৈ পৰি আঁঠুটোত ছাল গৈছে। ততাতৈয়াকৈ বৰুৱাই গৈ ডাক্তৰক দেখুৱাই ঘৰলৈ লৈ আহিল।

আইতাকে তাক কোলাত লৈ সুধিলে।

ঃ সোণ, বহুত দুখঃ পালা নেকি?

ঃ অ' আইতা বৰ বিষাইছে ..।

ঃ হ'ব, মই দেউতাৰাক কৈ দিম, তুমি ভাল নোপোৱালৈ স্কুলত যাব নালাগে।

ক্লাছ থ্ৰীত পঢ়া ৰৌণকক আইতাকৰ কথাটোৱে এনেদৰে ৰেখাপাত কৰিলে, যাতে সি ভাল নোপোৱাকৈ থাকে।

তিনিদিন পিছত মাকে তাক স্কুলত যোৱাৰ বাবে ৰেডি কৰি দিলে।

কিছু সময় পিছত দেখিলে তাৰ আঁঠুটোৰ পৰা তেজ ওলাব ধৰিছে। লগে লগে ঠাই টুকুৰাত ঔষধ লগাই স্কুললৈ যোৱা বন্ধ কৰিলে।

এই দৰে একেৰাহে কেইবাদিনলৈ স্কুলত যোৱাৰ সময়ত তাৰ তেজ ওলোৱা দেখি মাক দেউতাক চিন্তাত হৈ পৰিল। কোনো কাৰণ নেদেখি ডাক্তৰৰ ওচৰলৈ লৈ গ'ল। ডাক্তৰে তেজৰ কেবাটাও পৰীক্ষা কৰিব দিলে। সকলো নৰ্মেল ৰিজাল্ট আহিল কিন্তু তেজ ওলোৱা বন্ধ নহ'ল।

আইতাকে তান্ত্ৰিকৰ ওচৰলৈ লৈ নিবলৈ দিলে। কিন্তু কোনো কাম নাহিল। ঘাঁ টুকুৰাৰ অৱস্থা বেয়া হৈ আহিল।

সিহঁতৰ ঘৰত কাম কৰা মালতীয়ে হঠাতে সি আঁঠুটোৰ ঘাঁ টুকুৰা এৰুৱাই থকা দেখিলে। লগে লগে কথাটো অনুক জনালে।

ঃ অনু আচৰিত হ'ল। ইমান কম বয়সতে এনে কাম কৰিবলৈ ক'ত সাহস পালে।

মালতী তাক আমি ভয় খুৱাব লাগিব..

বাকী কেইদিনৰ দৰে সেইদিনাও মাকৰ ওচৰলৈ আহিল....

ঃ মা মা চোৱাচোন আজিও তেজ ওলাইছে, বিষাবলৈ ধৰিছে।

অনুৰে মালতীৰ মুখলৈ চাই, সুধিলে..

ঃ মালতী তোমালোকৰ গুডুৰ সৰুতে কি হৈছিল?


ঃ বাইদেউ, তাৰো প্ৰথমে ৰৌণকৰ দৰে আঁঠুত অলপ ছাল গৈছিল। পাছত সি খোজকাঢ়িব নোৱাৰা হ'ল। ৰৌণকৰ তেনেকুৱা হ'লে কি কৰিব?

ঃ ডাক্তৰে দেউতাকক কৈছে কেইদিনমান পিছত ভৰিখন কাটি পেলাব হেনো।

মাকৰ কথাখিনি শুনি তাৰ মুখৰ চেহেৰাৰ পৰিৱৰ্তন হ'ল।

এটি এটিকৈ তাৰ মুখৰ পৰা কথাবোৰ ওলাই পৰিল। অতিমাত্ৰা মৰমে কোমলমনৰ কিছুমান সন্তানক কিদৰে বিপথে পৰিচালিত কৰে। সেই ঘটনাটোৰ পিছৰ পৰা অনুৰে তাক আইতাকৰ সৈতে মিলা-মিছা কৰা বন্ধ কৰিলে। ৭ পৃষ্ঠাত

# ডিজু চাহ জনজাতি উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষক প্ৰয়াত বিতুল কুমাৰ হাতীবৰুৱাৰ আদ্যশ্ৰাদ্ধ সম্পন্ন



**বুলমণি বৰি, লখিমপুৰ ঃ** মৃত্যু চিৰন্তন সত্য। জন্মৰ লগতেই মৃত্যুৰ নাম সন্নিৱিষ্ট হৈ আছে। জীৱনে মৃত্যুক ক'ত কেতিয়া লগ পায় তাৰ উমান কোনেও নাপায় আৰু সেইবাবেই মৃত্যু অহাৰ আগতেই সফল ব্যক্তিয়ে জীয়াই থকা দিন কেইটাত যিমান পাৰে সমাজৰ হিত সাধন কৰাটোৱেই তেখেতলোকৰ উদ্দেশ্য। তেনে এজন ব্যক্তি ডিজু চাহ জনজাতি উচ্চমাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক তথা সহ প্ৰধান শিক্ষক প্ৰয়াত বিতুল কুমাৰ হাতীবৰুৱা। যোৱা ৩০ এপ্ৰিলৰ পুৱতি নিশা ৩-৩০ মিনিটত তেখেতৰ দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৫২। মৃত্যুৰ সময়ত তেখেতে এগৰাকী বৌয়েক, এজন ভাতৃ, বোৱাৰী আৰু ভতিজা এৰি থৈ যায়। নীতি নিয়ম অনুসৰি আত্মীয় স্বজন পৰিয়ালবৰ্গই আদ্যশ্ৰাদ্ধ সম্পূৰ্ণ কৰে যদিও বিদ্যালয় কৰ্তৃপক্ষই নিজাববীয়াকৈ ১৬ মে' ২০২৫ তাৰিখ শুকুৰবাৰে বিদ্যালয়খনত তেখেতৰ বিদেহী আত্মাৰ সদ্‌গতিৰ কামনাৰে আদ্যশ্ৰাদ্ধ সম্পন্ন কৰে। উক্ত অনুষ্ঠানত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আঁত ধৰে বিদ্যালয়খনৰ বিষয় শিক্ষক জিতুল আহমেদে। জিতুল আহমেদে আঁত ধৰা অনুষ্ঠানটোৰ শুভাৰম্ভণি কৰে বিদ্যালয়খনৰ প্ৰধান শিক্ষক পদ্ম সোণোৱালে। ১৯৯৬ চনতেই বিতুল কুমাৰ হাতীবৰুৱাৰ নেতৃত্বত স্থাপন হোৱা ডিজু চাহ জনজাতি উচ্চ মাধ্যমিক বিদ্যালয়খনৰ বিষয়ে বিতংকৈ কোৱাৰ লগতে হাইস্কুল শিক্ষান্ত পৰীক্ষাত বিগত বছৰৰ দৰে ২০২৫ বৰ্ষৰ শিক্ষাৰ্থী সকলৰ যি ফলাফল ৭৫ গৰাকী শিক্ষাৰ্থী প্ৰথম বিভাগ, তাৰে ১১ গৰাকী ষ্টাৰ মাৰ্ক, ১১৪ গৰাকী দ্বিতীয় বিভাগ, বিজ্ঞান ৪৭ গৰাকী, অংক ৭ গৰাকী, অসমীয়া ১১ গৰাকী, সমাজ বিজ্ঞান ১৮ গৰাকী, ভূগোল ২ গৰাকী, ইংৰাজী ২ গৰাকী, হিন্দী বিষয়ত ২ গৰাকী শিক্ষাৰ্থীয়ে লেটাৰ মাৰ্ক পাবলৈ সক্ষম হোৱা স্বত্বেও আজি পৰ্যন্ত বিদ্যালয়খন প্ৰাদেশিকীকৰণ নোহোৱাৰ হেতুকে এক জটিল ৰোগত আক্ৰান্ত হৈ প্ৰায় পাঁচ মাহ ধৰি শিক্ষক বিতুল কুমাৰ হাতীবৰুৱা চিকিৎসাধীন হৈ আছিল যদিও অৰ্থৰ অভাৱত উন্নত চিকিৎসা কৰিব নোৱাৰাৰ দুখত মৃত্যুক আকোঁৱালি ল'ব লগা যি পৰিস্থিতি সেই পৰিস্থিতিক লৈ তেখেতে দুখ প্ৰকাশ কৰি অশ্ৰুসিক্ত নয়নেৰে শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে। পহুমৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক নলীন বৰাই শ্ৰদ্ধাঞ্জলি জনাই কয় যে জন্মৰ বিপৰীতে মৃত্যুৰ চিৰন্তন নীতি। প্ৰকৃতিৰ নিয়ম অনুসৰি চমু জীৱনকালতে কালজয়ী পুৰোধা ব্যক্তিৰ আৰ্বিভাৱে একোটা যুগজয়ী যুগৰ তথা মানৱ সভ্যতাৰ সূচনা কৰি থৈ যায়। নতুন পুৰুষৰ বাবে দি থৈ যায় নৈতিক আদৰ্শ। শিকাই থৈ যায় সু-শৃংখলিত ৰূপত জীয়াই থকাৰ মূলমন্ত্ৰ। তেনে ব্যক্তিয়ে মৃত্যুকো জয় কৰি উজ্জীৱিত হৈ থাকে উজ্বল জ্যোতিষ্ক হৈ। মৃত্যুৰ চিৰন্তন সত্যক অকপট স্বীকাৰ কৰি জীৱন নাটৰ পৰিসমাপ্তিৰ এক সুকীয়া চিত্ৰ তুলি ধৰি মৃত্যুও এক শিল্প এই কথাকেই প্ৰতিপন্ন কৰি থৈ গ'ল প্ৰয়াত বিতুল কুমাৰ হাতীবৰুৱাই। বিনা বেতনে বছৰ বছৰ ধৰি শিক্ষকতাৰ দৰে এটা পৱিত্ৰ বৃত্তিত নিজকে সমৰ্পন কৰি জীৱিত কালছোৱাত সাধ্যানুসাৰে ভৱিষ্যত জীৱনৰ শ্ৰীবৃদ্ধিত অৰিহণা যোগাই জ্ঞানচক্ষুৰ জ্যোতিৰে সমাজৰ অন্ধকাৰ বিনাশি পোহৰৰ বাট কাটি শিক্ষক হিচাপে যি ত্যাগ আৰু গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি জীৱন উৎসৰ্গা কৰিলে তেখেত কায়িকভাৱে নাথাকিলেও তেখেতৰ জন্ম আৰু মৃত্যুৰ যি সুন্দৰতা, তেখেতৰ জীৱনাদৰ্শ সমাজখনে সদায় মনত ৰাখিব। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত উপস্থিত আছিল নৱৰূপ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ভূপেন বৰা, গড়মূৰ জনজাতি হাই স্কুলৰ প্ৰধান শিক্ষক নিৰেন নেওঁগ, বামুন দলনী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অজিত মৰাং, উত্তৰ নাওবৈচা হাইস্কুলৰ প্ৰধান শিক্ষক মঃ ফিৰোজ খান, মধ্য ৰঙানদী হাইস্কুলৰ প্ৰধান শিক্ষক ভুৱন চন্দ্ৰ নাথ, লখিমপুৰ আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ নাওবৈচাৰ ব্লক সচিব পংকজ শৰ্মা বৰুৱা, দিখৌমুখীয়া প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক উপেন দাস, সমাজ কৰ্মী দত্তৰাম দাস, মইঃ খাইৰুল ইছলাম, ৰঙানদী জিলা পৰিষদ সদস্য ৰাজু মাহাতু, সমন্বয়ক, ডিজু মণ্ডল সমল কেন্দ্ৰ, মঃ নাছিৰুদ্দিন আহমেদ, পহুমৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উপ-প্ৰধান নৰেন বৰা, বিষয় শিক্ষক ৰঞ্জিত বৰুৱা, জ্ঞানজ্যোতি একাডেমীৰ শিক্ষক বিষেশ্বৰ গগৈ, শংকৰদেৱ শিশু নিকেতন, ডিজু সমূহ আচাৰ্য, আচাৰ্যা, ডিজু চাহ জনজাতি মধ্য ইংৰাজী বিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে বৃহত্তৰ ডিজু অঞ্চলৰ অনান্য বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে প্ৰয়াত বিতুল কুমাৰ হাতীবৰুৱাৰ বিদেহ আত্মাৰ সদ্‌গতিৰ কামনাৰে একাজলি অশ্ৰু অঞ্জলিৰে শ্ৰদ্ধাঞ্জলি জনায়। ধেমাজি, মাছখোৱাৰ সুদৰ্শন হৰিনাম দলে কেইবা ঘণ্টাজুৰি হৰি নামৰ ভক্তি ৰস বোৱাই বৈকুণ্ঠ ধামলৈ পৰিণত কৰে ডিজু উচ্চ মাধ্যমিক বিদ্যালয় চৌহদ।

# চি বি এছ ই দশম শ্ৰেণীৰ পৰীক্ষাত ৯৭.৪ শতাংশ লাভ ডিব্ৰুগড়ৰ জিচান টানবিৰ

## ভৱিষ্যতে মহাকাশ বিজ্ঞানী হোৱাৰ সপোন



**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড় ঃ** সদ্য ঘোষিত চি বি এছ ই চূড়ান্ত পৰীক্ষাত ডিব্ৰুগড়ৰ পূব বানীপুৰ নিবাসী জিচান টানবিৰে ৯৭.৪ শতাংশ লাভ কৰি অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। পিতৃ ফাৰ্মাচী ব্যৱসায়ী দুলু আহমেদ আৰু মাতৃ ৰুজেদা হক আহমেদৰ দুই পুত্ৰৰ প্ৰথম পুত্ৰ জিচান টানবিৰে ইংৰাজীত ৯৪, অসমীয়াত ৯১, অংকত ৯৪, বিজ্ঞানত ৯৬, সমাজ বিজ্ঞানত ৯৮, আই টিত ১০০ আৰু পেইণ্টিংত ৯৯ শতাংশৰে গড়ে মুঠ ৯৭.৪ শতাংশ লাভ কৰে। সৰুৰে পৰা মেধাৱী জিচান টানবিৰৰ এই সফলতাৰ বাবে পিতৃ-মাতৃ আৰু বিদ্যালয়খনৰ শিক্ষাগুৰুক ধন্যবাদ জ্ঞাপন কৰে। ভৱিষ্যতে এগৰাকী মহাকাশ গৱেষণা বিজ্ঞানী হোৱাৰ সপোন মনতে পুহি ৰখা জিচান টানবিৰে এই সফলতা লাভ কৰাত আত্মীয়ৰ লগতে অঞ্চলটোৰ ৰাইজে আশীষ আৰু শুভেচ্ছা জনাইছে।

# ডিব্ৰুগড়ত বিষাক্ত কাঠফুলা খোৱাত নিষিদ্ধ আৰোপ জিলা স্বাস্থ্য বিভাগৰ

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড় ঃ** বৰ্তমান বাৰিষা কালত হাবিয়ে বননিয়ে পোৱা বিভিন্ন বনৰীয়া কাঠফুলা খাই বিষক্ৰিয়া হোৱাৰ ঘটনা পৰিলক্ষিত হোৱাৰ পৰিপ্ৰেক্ষিতত ৰাইজক হাবি বননিত পোৱা কাঠফুলা খোৱাৰ পৰা বিৰত থাকিবলৈ আহ্বান জনাইছে ডিব্ৰুগড় জিলাৰ স্বাস্থ্য বিভাগে। বাৰিষা কালত বাটে-ঘাটে, হাবি-জংঘলে পোৱা কাঠফুলাত বিভিন্ন ক্ষতিকাৰক বিষাক্ত পদাৰ্থ থাকে আৰু তাক সেৱনৰ ফলত মৃত্যু পৰ্যন্ত হয়। এই বিষাক্ত কাঠফুলা খোৱাৰ ফলত পেটৰ বিষ, বমি, পনীয়া শৌচ, মূৰৰ বিষ আৰু জ্বৰৰ দৰে বিভিন্ন লক্ষণে দেখা দিয়ে। যদিহে কোনো ব্যক্তিয়ে-পৰিয়ালে বিষাক্ত কাঠফুলা খোৱা বুলি সন্দেহ কৰে, তেন্তে উপসৰ্গ সমূহ দেখা দিয়া লৈ অপেক্ষা নকৰি অনতিপলমে নিকটতম স্বাস্থ্য কেন্দ্ৰৰ সৈতে যোগাযোগ কৰিবলৈ স্বাস্থ্য বিভাগৰ তৰফৰ পৰা আহ্বান জনোৱা হৈছে। তদুপৰি বিষাক্ত কাঠফুলা সম্পৰ্কে চলি থকা কিছুমান ভ্ৰান্ত ধাৰণা যেনে- সকলো বিষাক্ত কাঠফুলাৰ ৰং উজ্বল আৰু জিলিকি থকা, হাবি বননিত পোৱা কাঠফুলা ফ্ৰীজত, ৰ'দত শুকুৱাই বা বৰফত থৈ ৰান্ধি খালে নিৰাপদ হয়, বিষাক্ত কাঠফুলাৰ গোন্ধ আৰু সোৱাদ অতি উগ্ৰ-ইত্যাদি ভ্ৰান্ত ধাৰণাৰ বশৱৰ্তীহৈ ৰাইজক বিষাক্ত কাঠফুলা খোৱাৰ পৰা বিৰত থাকিবলৈ জিলাখনৰ স্বাস্থ্য বিভাগৰ পৰা আহ্বান জনোৱা হৈছে। ইতিমধ্যে, স্বাস্থ্য বিভাগৰ তৰফৰ পৰা বিষাক্ত কাঠফুলা সেৱনৰ বিৰুদ্ধে বিভিন্ন সজাগতা মূলক কাৰ্যসূচী হাতত গ্ৰহণ কৰিছে।

# নগাঁৱৰ বেঙেনাআটীৰ পৰা ড্ৰাগছ সৰবৰাহকাৰীক আটক




**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও আৰক্ষী দুৰ্নীতিমূলক কাম সমূহত যথেষ্ট বাধা দিবলৈ চেষ্টা চলাই অহাৰ পাছতো নগাঁৱৰ ভিন্ন প্ৰান্তত এতিয়াও একাংশ অসাধু ব্যৱসায়ীৰে অবাধে চলাই গৈছে নৱপ্ৰজন্মক ধ্বংস কৰা নিচাজাতীয় সামগ্ৰীৰ ৰমৰমীয়া বেহা। জানিব পৰা মতে নগাঁও সদৰ আৰক্ষীৰ তপৎৰতাত আৰু মৰিকলং আৰক্ষী চকীৰ সহযোগত নিশা নগাঁও চহৰৰ কিছু নিলগৰ বেঙেআটীৰ পৰা মইনুল হক ওৰফে ভাই নামৰ এজন কুখ্যাত ড্ৰাগছ সৰবৰাহকাৰীক নিজ গৃহৰ পৰা আটক কৰিবলৈ সক্ষম হয়। আৰক্ষী সূত্ৰই জানিবলৈ দিয়া মতে আটকাধীন মইনুলৰ নিজ বাসগৃহৰ কৰা বুজন পৰিমানৰ ড্ৰাগছ আৰু ২০ হাজাৰ নিচাযুক্ত টেবলেট উদ্ধাৰ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে আটক কৰা লোকজনে বুজন পৰিমানৰ ড্ৰাগছ আৰু টেবলেট সমূহ নিজ গৃহৰ পৰা কলৈ সৰবৰাহ কৰিবলৈ মজুত কৰি ৰাখিছিল আৰু এই ব্যৱসায়ৰ লগত কোন-কোন ব্যক্তি উপস্থিত আছিল বাতৰি লিখা সময়লৈকে জানিব পৰা হোৱা নাই। আৰক্ষীৰ উচিত তদন্তহে ঘটনাৰ আচল তথ্য পোহৰলৈ আহিব।

# ছোৱালী অভিশাপ নেকি আশীৰ্বাদ

■ **আয়শা ছিদ্দিকা (আছৰি)**
বাংলিপাৰা,বৰপেটা

যদি সমাজত ল'ৰা আৰু ছোৱালীৰ সমান অধিকাৰ সাব্যস্ত কৰাত কিছু সংখ্যক মানুহেই ব্যস্ত তাৰে ভিৰৰ মাজত আজিও ছোৱালী জন্ম দিয়াৰ দায় লৈ কত নাৰী আশ্ৰয়হীন হয়, সংসাৰহীন হয় তাৰ কল্পনা কৰাটোও হৃদয়বিদাৰক।

বৰ্তমান আধুনিক ক'লে ভুল হ'ব অত্যাধুনিক প্ৰযুক্তি বিদ্যাৰ সময়ত ছোৱালী হোৱাত পুৰুষতকৈ নাৰীৰ অৱদান বেছি বুলি কৈ নাৰীৰ ওপৰৰ চলোৱা অমানৱিক অত্যাচাৰ সঁচাই গ্ৰহণযোগ্যৰ বিষয় নহয়।

কিমান জঘন্য মানসিকতাৰ মানুহ হ'লে নিজৰ ঢেৰ ধন সম্পত্তি থকাৰ পিছতো নিজৰ ছোৱালীক এজন মগনীয়াৰৰ হাতত তুলি দি নিজে সুখত দিন কটাব পাৰে।

পজা ঘৰখন মহল মহল কৈ সজাই তুলিব পাৰে। চাহিদা পূৰণ কৰিবলৈ টকা উৰাব পাৰে প্ৰতি দিন খোৱা টেবুল ভৰ্তি মাছে মঙহে, ফলে মূলে সজাই তুলিব পাৰে মাথোঁ নোৱাৰে নিজৰ ছোৱালীজনী নিজৰ কৰি ডাঙৰ দীঘল কৰিবলৈ।

আজিৰ সময়তো আমাৰ সমাজৰ ছোৱালী হৈ জন্ম লোৱাটো যেন এটা অভিশাপহে। ছোৱালী মানুহ এইটো কৰিব নোৱাৰে, ছোৱালী মানুহ সেইটো কৰিব নোৱাৰে।

ইমান পঢ়িব নালাগে, ইমান ঘূৰিব নালাগে, ইমান কথা ক'ব নালাগে, ইমান ফুৰিব নালাগে আৰু যে কিমান হকা বাধা তাৰ হিচাপ নাই।

কেইদিন মান আগত ন মাহ মহাকাশত থকাৰ পিছত উভতি অহা বাতৰি চাই প্ৰায় শুনা পোৱা এটা কথা 'ছোৱালী মানুহ কিমান সাহস থাকিলে ইমান দীৰ্ঘ সময় মহাকাশত থাকিব পাৰে। সঁচাই প্ৰশংসনীয় কথা' কিন্তু ইফালে নিজৰ ঘৰৰ ছোৱালীক অলপ সন্ধিয়া হ'লেই বাহিৰত ওলাবলৈ হাক দিয়ে।

কথা এটা বুজিক নাপাওঁ ছোৱালী হৈ জন্ম লোৱাটো বাৰু কিয় অপৰাধ...? মাতৃজাত অবিহনে বাৰু জগতখনে পূৰ্ণতা পাব পাৰে...? নাৰী বিহনে বাৰু সংসাৰ এটা গঢ় ল'ব পাৰে...? নাৰী অবিহনে বিশ্বখনেই অপূৰ্ণ তেন্তে নাৰী জাতিক ইমান অৱহেলা কিয়....? কিয় ইমান যাতনা..? কিয় ইমান অভিযোগ ঘৰত কন্যা সন্তান জন্ম ল'লে...? কিয় কন্যা ভ্ৰূণ হত্যাৰ নিচিনা জগণ্য অপৰাধ প্ৰচলিত আমাৰ সমাজত.....? যি ছোৱালীক ঘৰৰ লখিমী ৰূপে পূজা সম্ভাৰ কৰি যতনাই ৰাখিব লাগে...। যি কন্যা সন্তানৰ আগমণত ঘৰত উৎসৱ মুখৰ পৰিৱেশৰ সৃষ্টি হোৱাৰ কথা। যি ছোৱালী সন্তান জন্ম হ'লে আনন্দিত হোৱাৰ কথা। তেনে ক্ষণত ঘৰত সুখ পালন নকৰি শোক কিয় পালন কৰে মানুহে বুজি নাপাওঁ....।

**ম'বাইল ঃ** ৯৩৬৫৬-৮১৯৬৮

জনতাৰ চৰকাৰ | my GOV মেৰী সৰকাৰ

সত্যমেৱ জয়তে
অসম চৰকাৰ



ছাত্ৰী সবলীকৰণৰ
দিশে এখোজ

# মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনি

আগন্তুক তিনিটা বৰ্ষত এই আঁচনিৰ জৰিয়তে **১০ লাখ** শিক্ষাৰ্থীক সাঙুৰি লোৱাৰ লক্ষ্য

ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানত নামভৰ্তি কৰা ছাত্ৰীসকলৰ বাহিৰে উচ্চতৰ মাধ্যমিক, স্নাতক (বি এ/ বি এছ চি/ বি কম) আৰু স্নাতকোত্তৰ (এম এ/ এম এছ চি/ এম কম/ বি এড) প্ৰথম বৰ্ষত নামভৰ্তি কৰা চৰকাৰী আৰু ভেঞ্চাৰ শিক্ষানুষ্ঠানৰ ছাত্ৰীসকলক উদগনি যোগোৱা এক অভিলাষী আঁচনি



ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

## উদ্দেশ্যসমূহ

- উচ্চ শিক্ষাত কন্যা শিক্ষাৰ্থীৰ নামভৰ্তি বৃদ্ধি কৰা
- ৰাজ্যৰ অধিক সংখ্যক ছাত্ৰীৰ বাবে উচ্চ শিক্ষা লাভৰ বাট প্ৰশস্ত কৰা
- বাল্য বিবাহ ৰোধৰ ক্ষেত্ৰত অৰিহণা যোগোৱা

## সুবিধাসমূহ

- ধনী-দুখীয়া নিৰ্বিশেষে সকলো পৰিয়ালৰ কন্যাৰ বাবে উপলব্ধ
- একাদশ শ্ৰেণীত নামভৰ্তি কৰা প্ৰতিগৰাকী যোগ্য ছাত্ৰীৰ বাবে মাহিলি ১,০০০ টকাকৈ সৰ্বাধিক ১০ মাহলৈ বছৰত মুঠ ১০,০০০ টকা
- স্নাতক (বি এ/ বি এছ চি/ বি কম) প্ৰথম বৰ্ষত নামভৰ্তি কৰা প্ৰতিগৰাকী যোগ্য ছাত্ৰীৰ বাবে মাহিলি ১,২৫০ টকাকৈ সৰ্বাধিক ১০ মাহলৈ বছৰত মুঠ ১২,৫০০ টকা
- স্নাতকোত্তৰ (এম এ/ এম এছ চি/ এম কম/ বি এড) প্ৰথম বৰ্ষত নামভৰ্তি কৰা প্ৰতিগৰাকী যোগ্য ছাত্ৰীৰ বাবে মাহিলি ২,৫০০ টকাকৈ সৰ্বাধিক ১০ মাহলৈ বছৰত মুঠ ২৫,০০০ টকা

## নিযুত মইনা আঁচনি হৈছে বাল্য বিবাহৰ দৰে সামাজিক ব্যাধি প্ৰতিৰোধৰ উদ্দেশ্যে গ্ৰহণ কৰা এক সৰ্বাংগীণ পদক্ষেপ

- শিশুৰ শিক্ষা, স্বাস্থ্য আৰু সুৰক্ষাৰ অধিকাৰ সুনিশ্চিত কৰা
- পছন্দ আৰু অৰ্থনৈতিক স্বাধীনতাৰ বাবে শিক্ষাৰ জৰিয়তে কন্যা শিক্ষাৰ্থীসকলক সবল কৰি তোলা
- শাৰীৰিক, মানসিক আৰু আৱেগিক পৰিপক্কতাৰ পাছতহে বিবাহ সম্পন্ন কৰা
- মহিলাৰ আনুষ্ঠানিক শিক্ষাৰ জৰিয়তে কিশোৰী অৱস্থাৰ মাতৃত্ব হ্ৰাস কৰা

## যোগ্যতাৰ চৰ্ত

- অসমত বাস কৰা সকলো কন্যা শিক্ষাৰ্থী এই আঁচনিৰ বাবে যোগ্য
- বিবাহিতা ছাত্ৰী (স্নাতকোত্তৰ আৰু বি এড শিক্ষাৰ্থীৰ বাহিৰে) আৰু চাকৰিয়াল বি এড শিক্ষাৰ্থীসকলৰ বাবে আঁচনিৰ সুবিধা উপলব্ধ নহ'ব
- মন্ত্ৰী, সাংসদ, বিধায়কৰ কন্যা এই আঁচনিৰ বাবে যোগ্য বিবেচিত নহ'ব
- বাণীকান্ত কাকতি বঁটা (প্ৰজ্ঞান ভাৰতী আঁচনি)ৰ অধীনত স্কুটাৰ লাভ কৰা ছাত্ৰীসকল এই আঁচনিৰ বাবে যোগ্য বিবেচিত নহ'ব। বাণীকান্ত কাকতি বঁটা পৰিহাৰ কৰা ছাত্ৰীৰ বাবেহে এই আঁচনি প্ৰযোজ্য হ'ব

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Connect with us @diprassam dipr.assam.gov.in

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

Janasanyog RO no 247/25/23-May-25

# ডিব্ৰুগড়ৰ জনপ্ৰিয় লোকশিল্পী ৰাম চাচনীক ভাৰত বিকাশ পৰিষদৰ সম্বৰ্ধনা




**ষ্টাফ ৰিপ’ৰ্টাৰ, ডিব্ৰুগড় ঃ** ভাৰত বিকাশ পৰিষদৰ ডিব্ৰুগড় শাখাই দেওবাৰে বিশিষ্ট লোকশিল্পী, অসম চৰকাৰৰ ‘অসম গৌৰৱ বঁটা’ৰে সন্মানিত ৰাম চাচনীক ডিব্ৰুগড়ত সম্বৰ্ধনা জ্ঞাপন কৰে। স্থানীয় শংকৰদেৱ বিদ্যানিকেতন প্ৰেক্ষাগৃহত এই উপলক্ষে আয়োজিত সংগঠনটোৰ বছৰেকীয়া সাধাৰণ সভাত শিল্পী গৰাকীক ত্ৰিৰংগা, গামোচা, চেলেং আৰু প্ৰশংসাপত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সম্বৰ্ধনা গ্ৰহণ কৰি শিল্পীগৰাকীয়ে কয় যে অসমত চাহ জনজাতি বুলি আচলতে কোনো জনজাতি নাই। চাহ শিল্পত কাম কৰিবলৈ দেশৰ ভিন্ন প্ৰান্তৰ পৰা ভিন্ন জাতিৰ লোক শ্ৰমিক হিচাপে কাম কৰিবলৈ অহা সকলেই চাহ জনজাতি বুলি কোৱা হয়। চেপনত জন্মগ্ৰহণ কৰা শিল্পী গৰাকীয়ে মধ্যপ্ৰদেশ, উৰিষ্যা আৰু ছট্টিশগড়ৰ পৰা অহা ভিন্ন জাতিৰ চাহ শ্ৰমিকৰ গীত-মাতবোৰ সৰুৰেপৰা শুনিয়েই আয়ত্ত কৰি পৰৱৰ্তী সময়ত ইয়াক সমল হিচাপে লৈ নিজকে চাহ শ্ৰমিকৰ গীতসমূহৰ এগৰাকী গায়ক হিচাপে প্ৰতিষ্ঠা কৰে বুলি উল্লেখ কৰি ভূপেন হাজৰিকাৰ দ্বাৰা ১৯৭৩ চনত নিৰ্মিত ‘ৰতনলাল’ বোলছবিত গীত শিৱচৰণ দাসৰ স’তে কলকাতাত গৈ গীতৰ ৰেকৰ্ডিং কৰাৰ মধুৰ মুহূৰ্তৰ কথা স্মৰণ কৰে। তদুপৰি ১৯৮৭ চনত নিৰ্মিত ‘চিৰাজ’ বোলছবিত গীত গোৱাৰ উপৰি ১৯৭৫ চনৰ পৰা দীৰ্ঘদিন ধৰি আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ স্বীকৃতিপ্ৰাপ্ত শিল্পী ‘চাহ শ্ৰমিকৰ আচৰ’ অনুষ্ঠান পৰিচালনাৰ মধুৰ সময়ৰ কথাও ভাষণত উল্লেখ কৰে। ইয়াৰ পূৰ্বে উক্ত অনুষ্ঠানতে শিল্পীগৰাকীৰ জীৱন-কৃতী সম্পৰ্কে চমুকৈ আলোকপাত কৰে আয়োজক সংগঠনৰ বিষয়ববীয়া তথা বিশিষ্ট সংগীতশিল্পী, ডিব্ৰু কলেজৰ উপাধ্যক্ষা ড° অদিতি বৰুৱাই। সংগঠনটোৰ সভাপতি জ্যোতিৰ্ময়ী দেৱীৰ পৌৰোহিত্যত অনুষ্ঠিত উক্ত সভাতেই সংগঠনটোৰ বিগত ২০২৪-২০২৫ বৰ্ষৰ কাম-কাজৰ খতিয়ান দাঙি ধৰে সম্পাদক মৈত্ৰেয়ী বৰুৱা ভৌমিকে। সংগঠনটোৰ উপদেষ্টা তথা জ্যেষ্ঠ অধিবক্তা অসীম কুমাৰ দত্ত, প্ৰান্তীয় উপসভাপতি দীপক চাংমাইৰ উপস্থিতিত সংগঠনটোৰ কোষাধ্যক্ষ ড° কমলেন্দু শইকীয়াই ২ লাখ ৮ হেজাৰ ৮৩২ টকাৰ ৰাহিৰে বিত্তীয় প্ৰতিবেদন দাখিল কৰে। এই সভাতেই পুৰণি সমিতিখনি ভংগ কৰি আনুষ্ঠানিকভাৱে যোৱা ১৬ ফেব্ৰুৱাৰীত জ্যোতিৰ্ময়ী দেৱীক সভাপতি, ড° অদিতি বৰুৱা, সুদেৱ গোস্বামীক উপসভাপতি, মৈত্ৰেয়ী ভৌমিকক সম্পাদক, মালা গোস্বামীক সহকাৰী সম্পাদক, ড° কমলেন্দু শইকীয়াক কোষাধ্যক্ষ হিচাপে লৈ নৱগঠিত সমিতিখনে কাৰ্যভাৰ গ্ৰহণ কৰে। সভাত সংগঠনটোৰ কৰ্মকৰ্তাসকলৰ লগতে অৰ্ধ শতাধিক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# প্ৰতিকূল পৰিৱেশতেই শিমলুগুৰিত ৰংজালী বৈশাগু উদ্‌যাপন




**বিতোপন গগৈ, শিমলুগুৰি ঃ** ঐতিহাসিক পৰম্পৰা অক্ষুন্ন ৰাখি শিমলুগুৰি অঞ্চলৰ বৃহত্তৰ বড়ো জনগোষ্ঠীৰ উদ্যোগত পঞ্চদশ বাৰ্ষিক ৰংজালী বৈশাগু উৎসৱ অনুষ্ঠিত হৈ যায়। শিমলুগুৰি ৰাজহুৱা খেল পথাৰত অনুষ্ঠিত হোৱা দিনযোৰা কাৰ্যসূচীত পুৱাৰ ভাগত পতাকা উত্তোলন আৰু শ্বহীদ তৰ্পণ কৰে ক্ৰমে উণ্‌যাপন সমিতিৰ সভাপতি প্ৰফুল্ল দৈমাৰী আৰু উপ-সভাপতি গুঞ্জানন বসুমতাৰীয়ে। ইয়াৰ পিছত অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক দুৰ্গা বসুমতাৰীয়ে মুকলি সভা উদ্বোধন কৰি সকলোকে সম্প্ৰীতি-সমন্বয় আৰু গভীৰ অধ্যয়নেৰে ৰংজালী উদ্‌যাপনৰ বাবে আহ্বান জনায়। সভাত উপস্থিত থাকে ৰাজগড়-শিমলুগুৰি বড়ো আঞ্চলিক সাহিত্য সভাৰ সভাপতি লীলা স্বৰ্গীয়াৰী, অৱসৰী শিক্ষক তথা বড়ো সাহিত্যকৰ্মী হৰকান্ত বসুমতাৰী, কোকছাবাৰী মধ্য ইংৰাজী বিদ্যালয়ৰ শিক্ষক দিলীপ ফুলগুৰাৰী, জিলা শিক্ষন প্ৰশিক্ষণ প্ৰতিস্থান লখিমপুৰৰ জ্যেষ্ঠ প্ৰৱক্তা প্ৰবীন হাখলাৰী, ৰাজগড় জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক অতুল ইছলাৰী, ধলপুৰ চৰকাৰী মজলীয়া বিদ্যালয়ৰ শিক্ষক সঞ্জীৱ বসুমতাৰী। অন্যহাতে দেশৰ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ওদালগুৰিৰ আমন্ত্ৰিত বড়ো কণ্ঠশিল্পী নিতামণি বড়োৰ সাংস্কৃতিক অনুষ্ঠান, স্মৃতিগ্ৰন্থ ‘বাৰদৈচিখলা’ প্ৰকাশ, বৈশাগুৰ দলীয় প্ৰতিযোগিতাকে ধৰি নানান কাৰ্যসূচী স্থগিত ৰখা হয় যদিও পুৰস্কাৰ দাতা-শিক্ষক অনন্ত গগৈ, মানিক বসুমতাৰী, ৰঞ্জু বসুমতাৰী, আশী বসুমতাৰী, প্ৰসন্ন ফুলগুৰাৰী আৰু অন্যান্য বিষয়ববীয়াৰ পৰিচালনাত অনুষ্ঠিত স্থানীয় সাংস্কৃতিক ক্ৰমণিকাত গীত পৰিৱেশন কৰে গায়ক গোথাল নাৰ্জাৰী, ৰশ্মি বসুমতাৰী, লোকনাথ বসুমতাৰীয়ে। কাৰ্যসূচী সফল কৰি তোলাৰ বাবে উদ্‌যাপন সমিতিৰ সম্পাদকদ্বয় মুনু বসুমতাৰী আৰু ৰাজীৱ নাৰ্জাৰীয়ে সকলোৰে প্ৰতি শলাগৰ শৰাই আগবঢ়ায়।

# ডিব্ৰুগড়ৰ শ্ৰীশ্ৰী অনিৰুদ্ধদেৱৰ কনিষ্ঠ মহাবিদ্যালয়ত আন্তঃৰাষ্ট্ৰীয় চাহ দিৱস পালন




**ষ্টাফ ৰিপ’ৰ্টাৰ, ডিব্ৰুগড় ঃ** ডিব্ৰুগড় মহানগৰত আন্তঃৰাষ্ট্ৰীয় চাহ দিৱসৰ উপলক্ষে ‘আসাম বট লিফ টি মেনুফেকচাৰ্চ এচছিয়েচনৰ উদ্যোগ’ত মহানগৰখনৰ বিভিন্ন ঠাইত সৰ্বসাধাৰণ ৰাইজৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক চাহ সেৱনত গুৰুত্ব প্ৰদান কৰে। সংস্থাৰ সভাপতি চান্দ কুমাৰ গোহাঁইয়ে চৌকিডিঙী খেলপথাৰৰ মূল গেটৰ সন্মুখত চাহৰ যোগান ধৰা লগতে জিলা আয়ুক্ত কাৰ্যালয়ৰ সন্মুখ, ডিব্ৰুগড় বিশ্ববিদ্যালয়,অসম চিকিৎসা মহাবিদ্যালয় আৰু জিলা ন্যায়ালয়ৰ সন্মুখত ‘আন্তঃৰাষ্ট্ৰীয় চাহ দিৱস’ৰ উপলক্ষে চাহ খাবলৈ উৎসাহিত কৰি চাহ পৰিৱেশন কৰিবলৈ যোগান ধৰে। ডিব্ৰুগড়ৰ বৈৰাগীমঠত থকা শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ কনিষ্ঠ মহাবিদ্যালয়টো আন্তঃৰাষ্ট্ৰীয় চাহ দিৱস পালন কৰা হয়। এই অনুষ্ঠানত মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি হলিৰাম ফুকনে চাহৰ গুণাগুণৰ ওপৰত ভাষণ প্ৰদান কৰে। মহাবিদ্যালয়খনৰ অধ্যক্ষ ভূষণ জ্যোতি সন্দিকৈয়ে আঁতধৰা এই অনুষ্ঠানটোত মহাবিদ্যালয়খনৰ মুখ্য শৈক্ষিক বিষয়া ড° দীপা গোস্বামী, শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ একাডেমীৰ মুখ্য শৈক্ষিক বিষয়া যাদৱ গগৈকে ধৰি অধ্যাপক- অধ্যাপিকা, শিক্ষক-শিক্ষয়িত্ৰী আৰু শিক্ষাৰ্থীসকল উপস্থিত থকা লগতে উপস্থিত সকলোকে চাহ পৰিৱেশন কৰিবলৈ দিয়া হয়।

*চাৰি পৃষ্ঠাৰ পৰা*

## মৰমৰ আলিবাট বিচাৰি

অনুৰ কাৰ্যৰ প্ৰতি অমৃত বৰুৱা মুঠেই সন্তুষ্ট নাছিল, ইয়াক লৈ দুয়োৰে মাজত অন্তঃকন্দল হৈছিল।

জীৱনৰ অন্তিম সময়চোৱাত মাতৃৰ মুখত দুখৰ ছাঁ কোনোপধ্যেই সহ্য কৰিব নোৱাৰে।

সময় বুজি দিনটোত এবাৰ হ’লেও মাতৃক দেখা কৰি বুজাবলৈ চেষ্টা কৰিলে।

সন্তানৰ প্ৰীড়া কোনো মাতৃয়ে সহ্য কৰিব নোৱাৰে, চেনেহী আইয়ে ধৰিব পাৰিছিল পুতেকৰ অন্তৰৰ বেদনা।

সেইদিনা মাতৃ চেনেহীয়ে পুতেকৰ ওচৰত বহি কিছু কথা ক’লে-

ঃ বোপাই সময় সলনি হ’ল। মই আৰু তহঁতৰ মাজত সোমাব নিবিচাৰোঁ। আজিকালিৰ পো জন্মতে বহুকথা শিকি আহে। মোৰ বাবে পোনাটো বেয়া হোৱা মই নিবিচাৰো। মোৰ বয়স হৈছে যদিও, মানসিক স্থিৰতা থিকে আছে। জীৱনৰ অন্তিম সময়চোৱা শান্তিত থাকিব বিচাৰো। শুনিছো চহৰত বোলে আমাৰ দৰে বুঢ়া মানুহক ৰখা ঠাই আছে মোক তাতে থৈ অহা।

কথাখিনি কৈ থাকোঁতে সোমাই যোৱা চকুযুৰিৰ পৰা দুটোপাল চকুলো আহি চাদৰখনত পৰিল।

ঃ মাকৰ কথাখিনি শুনি বৰুৱাৰ বুকুখন কঁপি উঠিল।

হে ভগৱান .... থোকা-থোকি মাতেৰে

তেনেকথা নক’বা মা, মই মানি ল’ব নোৱাৰো। মানুহে মোক কি ভাৱিব। দৰকাৰ হ’লে ৰৌণকক বৰ্ডিং স্কুলত নাম লগাই দিম।

ঃ মোৰ কাৰণে কাৰোবাৰ কোলা খালী কৰিব নালাগে বোপাই। মই মাতৃ সন্তানৰ সুখৰ কাৰণে সকলো ত্যাগ কৰিব পাৰিম, এতিয়া সংসাৰৰ মায়া মোহৰ পৰা আতঁৰত থাকিব বিচাৰোঁ। বয়স হৈছে স্বভাৱ সলনি কৰিব নোৱাৰো। গতিকে মই তহঁতৰ বোজা হৈ থাকিবৰ মন নাই। তহঁত শান্তিৰে থাক ময়ো তাত লগ সমনীয়াৰ পাই ভালেই পাম সুখ দুখৰ কথা পাতিব পাৰিম।

ঃ তোক এইবোৰ কথা কোনে সুমুৱাই দিলে। চহৰৰ ব্যস্ত পৰিয়াল বা নিৰাশ্ৰয় মানুহৰ বাবে সেইবোৰ বৃদ্ধাশ্ৰমৰ ব্যৱস্থা কৰিছে। আমি সেই কথা চিন্তা কৰিব নোৱাৰো। থিক আছে তই যদি আমনি পাইছা তেন্তে কেইদিনমানৰ বাবে বাইদেউহতঁৰ ঘৰত থাকি আহিব পাৰ।

এজন শিক্ষক হৈ নিজ মাতৃক বৃদ্ধাশ্ৰমত পঠোৱাটো বৰুৱাৰ বাবে সম্ভৱ নহয়। মাকৰ মানসিক অৱস্থা কথা ভাবি পৰিয়ালৰ সকলো লোক মিলিত হৈ সকলোৱে বুজালে। অনুও সহজ হৈ পৰিল কিন্তু চেনেহী আই কাৰো হকা বাধা নামানি নিজৰ স্থিতিত অটল থাকিল। বাধ্য হৈ মাকৰ ইচ্ছা মতে অমৃত বৰুৱাই চহৰৰ অল্ড এজ হোমলৈ লৈ গ’ল।

এখনি আশ্ৰৰ স্থল য’ত সকলো সুবিধা আছে কিন্তু নাই মাথোঁ আপোনজনৰ মৰম কিন্তু একে বয়সীয়াল লোকসকলৰ লগতে থাকিব পাৰিব এখন বেলেগ জগত। জীৱনৰ অন্তিম সময়চোৱাত জীয়াই থকাৰ তাড়নাত মানুহে থাকিবলৈ বাধ্য হয়। মাকৰ গালত চুমা দুটা খাই বৰুৱাই বেদনাৰ চকুযুৰি মুচিলে।

প্ৰস্থানৰ মূহূৰ্তত মাকৰ মুখলৈ চাই এটা হুমুনিয়াহ কাঢ়িলে।


সংসাৰখন বৰ জটিল।

**ম’বাইল ঃ** ৭০০২৯-৪২৫৯১

# নগাঁৱত শিল্পীক অপমান, অনুষ্ঠান পৰিৱেশনৰ ১৮ দিনটো নাপালে চুক্তিৰ ধন

**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁৱৰ এটা অনুষ্ঠানত সংগীত পৰিৱেশন কৰাৰ ১৮ দিনটো শিল্পীক চুক্তিৰ ধন আদায় নিদিয়াৰ ঘটনাই নগাঁৱত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। নগাঁৱৰ জামুগুৰিৰ অভিজিত ৰাগ নামৰ শিল্পী গৰাকীয়ে ৰুদ্ৰাক্ষ কালচাৰেল অকাডেমিৰ আমন্ত্ৰণ ক্ৰমে সহযোগী শিল্পীৰ সৈতে অনুষ্ঠান পৰিৱেশন কৰিছিল। অনুষ্ঠান পৰিৱেশন শেষ কৰাৰ পিছত পুৱা ৫ বজালৈকে অনুষ্ঠানৰ অন্যতম উদ্যোক্তা কৌশিক গৌতমে শিল্পী গৰাকীক চুক্তিৰ ধন আদায় দিয়া নাছিল। শিল্পী গৰাকীয়ে ২৭ এপ্ৰিলত অনুষ্ঠান পৰিৱেশন কৰিছিল। আনকি সেই দিনাৰ অনুষ্ঠানৰ কৌতূক গোষ্ঠী, অৰ্কেষ্টা দল, মঞ্চ আৰু শব্দযন্ত্ৰৰ গৰাকীকো চুক্তিৰ ধন নিদিয়াৰ অভিযোগ উঠিছে। ইয়াৰ বিপৰীতে উদ্যোক্তা গৌতমে প্ৰদান কৰা চেক সমূহ বাউন্স হোৱাৰ অভিযোগ উঠিছে। অৱশ্যে অন্যতম উদ্যোক্তা কৌশিক গৌতমে শিল্পী গৰাকীক তাৰিখৰ পিছত তাৰিখ দিও ধন আদায় দিয়া নাছিল। আনকি ফোন কৰিলেও ফোন নধৰা হ’ল। অৱশেষত ১২ মে’ তাৰিখে শিল্পী গৰাকীক চুক্তিৰ ধন আদায় কথা দিছিল যদিও ধন নাপালে। উপায়ন্তৰ হৈ শিল্পী গৰাকী ১৩ মে’ত চুক্তিৰ ধন বিচাৰি গৌতমৰ ঘৰলৈ যায় যদিও গৌতমক লগ নাপালে। ইয়াৰ বিপৰীতে কৌশিক গৌতমৰ পিতৃয়ে শিল্পী গৰাকীক অপমানহে কৰে। এতিয়া শিল্পী গৰাকীয়ে হয়বৰগাঁও আৰক্ষী চকীত এখন এজাহাৰ দাখিল কৰিছে। শিল্পী গৰাকীয়ে সংবাদমেলৰ জৰিয়তে এই সকলো কথা প্ৰকাশ কৰিছে। এনেদৰে শিল্পীক প্ৰৱঞ্চনা কৰি অনুষ্ঠান পাতি বাঃ বাঃ লোৱা এই গৰাকী উদ্যোক্তাৰ বিৰুদ্ধে আৰক্ষীয়ে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া লক্ষ্যণীয় হ’ব।

# অসম সন্তান তথা ভাৰতবৰ্ষৰ এজন বিখ্যাত সাহসী সেনা বিষয়া লেফটেনেন্ট জেনেৰেল ৰাণা প্ৰতাপ কলিতাৰ সৈতে এক অন্তৰংগ আলাপ



অসম সন্তান তথা ভাৰতবৰ্ষৰ বিখ্যাত সাহসী সেনা বিষয়া যি নেকি পৰম বিশেষ সেৱা মেডেল, উত্তম যুদ্ধ সেৱা মেডেল, অতি বিশেষ সেৱা মেডেল, সেৱা মেডেল আৰু বিশেষ সেৱা মেডেল এই পাঁচটা সেনা বাহিনীৰ বিশেষ পুৰস্কাৰ লাভ কৰা লেফটেনেন্ট জেনেৰেল ৰাণা প্ৰতাপ কলিতাৰ সৈতে ম'বাইল ফোন যোগে হোৱা এক অন্তৰংগ আলাপৰ সম্পাদিত ৰূপ পাঠকৰ বাবে আগবঢ়োৱা হ'ল ঃ

■ **ৰাণা প্ৰতাপ কলিতাদেৱ আপোনাৰ জন্ম আৰু শিক্ষা দীক্ষাৰ বিষয়ে অলপ কওঁকচোন?**

**ৰাণা প্ৰতাপ কলিতা ঃ** মোৰ জন্ম ১৯৬৩ চনৰ ৩১ ডিচেম্বৰত তামুলপুৰত হৈছিল। দেউতা তামুলপুৰ হাইস্কুলৰ শিক্ষক আছিল। এতিয়া বৰ্তমান সেই হাইস্কুলখন তামুলপুৰ Higher Secondary হ'ল। তামুলপুৰতে মোৰ জন্ম আৰু শিক্ষা তামুলপুৰতে গ্ৰহণ কৰো। মই প্ৰাথমিক বিদ্যালয়ত পঢ়ি থাকোঁতে দেউতা তামুলপুৰ হাইস্কুলৰ পৰা প্ৰধান শিক্ষক হিচাপে বদলি হৈ ৰঙিয়া হাইস্কুললৈ আহিছিল। আমি দৰাচলতে Origin ৰঙিয়াৰে। সেইবাবে মই প্ৰাথমিক শিক্ষা ৰঙিয়াতে সম্পূৰ্ণ কৰিছিলো। তাৰপিছত হাইস্কুলীয়া শিক্ষা ১৯৭৩ চনত Class V ত সৈনিক স্কুল গোৱালপাৰাত নামভৰ্তি কৰো। ১৯৮০ চনত সৈনিক স্কুলৰ পৰা Higher Secondary পাছ কৰি পুণেৰ National Defence Academy ত মই তিনিবছৰ সামৰিক প্ৰশিক্ষণ গ্ৰহণ কৰো। ইয়াৰ পিছত ডেৰাদুনৰ Indian Millitary Academy ত এবছৰ সামৰিক প্ৰশিক্ষণ গ্ৰহণ কৰো। তাৰপিছত ১৯৮৪ চনৰ ৯ জুনত Second লেফটেনেন্ট হিচাপে সেনা বিভাগত যোগদান কৰো।

■ **আপোনাৰ পিতৃ-মাতৃৰ বিষয়ে অলপ কওঁকচোন?**

**ৰাণা প্ৰতাপ কলিতা ঃ** মোৰ দেউতাৰ নাম স্বৰ্গীয় যোগেন্দ্ৰনাথ কলিতা আৰু মাৰ নাম স্বৰ্গীয় ৰেণু কলিতা। মোৰ মা-দেউতা দুয়োজন ঢুকাল। দেউতাই কটন কলেজৰ পৰা বি. এছ. ছি পাছ কৰি প্ৰথম গুৱাহাটীৰ ডনবস্ক হাইস্কুলত শিক্ষকতা কৰিছিল আৰু তাৰপিছত ৰঙিয়া হাইস্কুলতো শিক্ষকতা কৰিছিল। শিক্ষকতা কৰাৰ বাদে দেউতাই কিছুমান সামাজিক কামতো জড়িত আছিল। ১৯৮৯ চনত দেউতাই শিক্ষকতা চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল। ১৯৯৫ চনত মোৰ দেউতা ঢুকাল। মা ঘৰৰ গৃহিণী আছিল। মায়েও প্ৰথমতে এখন প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা কৰিছিল। তাৰপিছত মায়ে কিবা কাৰণত চাকৰি বাদ দিব লগা হৈছিল। আমাৰ চাৰিটা ল'ৰা-ছোৱালীক মায়ে খুব ভালদৰে চোৱাচিতা কৰিছিল। ২০১৯ চনত মোৰ মা ঢুকাল। মোৰ মায়ে মহিলা সমিতি আদিত জড়িত আছিল আৰু শংকৰ সংঘত নাম প্ৰসংগ আদি গাইছিল।

■ **সম্প্ৰতি নতুন প্ৰজন্মৰ কোনবোৰ কথাই আপোনাক চিন্তিত কৰে?**

**ৰাণা প্ৰতাপ কলিতা ঃ** চিন্তিত কৰাৰ আগতে মই নতুন প্ৰজন্মৰ মাজত থকা এটা ডাঙৰ গুণৰ কথা ক'ব খোজোঁ। New Generation 1 Awarness Level টো বহুত বেছি। নতুন প্ৰজন্মই নতুন টেকনলজিটো খুব সোনকালে Absorb কৰি ল'ব পাৰে। কিন্তু সমস্যাটো হৈছে আজিকালি যিটো পৰিৱেশ সেইটো সকলোৰে বাবে Disfection বহুত বেছি। আমাৰ সময়ত ইমান Disfection নাছিল। এতিয়া Disfection Social মিডিয়া, ম'বাইল, টিভি, OTT, প্লেটফৰ্ম এনেকুৱাধৰণৰ বহুখিনি Disfection আছে। এই ধৰণৰ মাধ্যমসমূহে তেওঁলোকক ভুলপথে পৰিচালিত কৰাৰ আশংকা বহুত বেছি। এইটো অলপ চিন্তাৰ বিষয়। যিবোৰ টেকনলজি তেওঁলোকে সেয়া Possitivly Exploid কৰিব লাগে। You Should Not Be A Slave To The Teacnology. যদি ম'বাইলৰ কথাই কওঁ যে ম'বাইলটো ভালদৰে ব্যৱহাৰ কৰিব লাগে। আপুনি যদি ম'বাইলৰ Slave হৈ যায় ই আপোনাৰ ওপৰত ৰাজত্ব কৰিব। আজিকালি নতুন প্ৰজন্মৰ বাহিৰত খেলা-ধূলাটো প্ৰায় কমি গৈছে। নতুন প্ৰজন্ম সাধাৰণতে টিভি, ম'বাইলতে বেছি ব্যস্ত হৈ থাকে। লগতে জাং ফুডে শাৰীৰিকভাৱে নহয় মানসিকভাৱেও নতুন প্ৰজন্মক ক্ষতিগ্ৰস্ত কৰিছে।

■ **এজন সাহসী সেনা বিষয়াৰ সাধাৰণতে প্ৰকৃত কি কি গুণ থকাটো উচিত?**

**ৰাণা প্ৰতাপ কলিতা ঃ** এজন সাহসী সেনা বিষয়া হ'বলৈ প্ৰথমে You To Be A Good Human. এজন ভাল মানুহ হোৱাটো প্ৰয়োজন। You Shoud Have Adequate Knowledge, Professional Knowledge থাকিব লাগিব, আত্মবিশ্বাসটো খুবেই প্ৰয়োজন, আত্মবিশ্বাস থাকিব লাগিব আৰু এজন Good Leader হ'ব লাগিব। Who Comman Respect Of The People Who Will Comman. এটা সেনা দলক নেতৃত্ব দিব পৰা গুণ লাগিব। এজন Good Communicator হ'ব লাগিব। You Shoud Live By Example. নিজৰ Example দি এটা সেনা দলক নেতৃত্ব দিব পাৰিব লাগিব। প্ৰথমে নিজৰ দেশখনক বেছি গুৰুত্ব দিব লাগিব।

■ **অকল শিক্ষা আৰু সংস্কৃতিয়ে এটা জাতিৰ উত্তৰণৰ একমাত্ৰ পথ বুলি ভাবে নেকি?**

**ৰাণা প্ৰতাপ কলিতা ঃ** শিক্ষা আৰু সংস্কৃতিয়ে এটা জাতিক যথেষ্ট অৰিহণা যোগায়। তাৰ উপৰি জাতীয় একতা বুলি এটা মনোভাৱ থাকিব লাগিব। আমি এইটো ভাবিব নালাগে যে জাতিয়ে আমাৰ বাবে কি কৰিছে? আমি এইটো ভাবিব লাগিব যে আমি জাতিৰ কাৰণে কি কৰিব পাৰোঁ। গতিকে এক ধৰণৰ এটা Commitment লাগিব আৰু Unity An Apporach টো লাগিব। এই দিশসমূহৰ ভিতৰত শিক্ষা আৰু সংস্কৃতিয়ে অৱদান যোগাব পাৰে। শিক্ষা আৰু সংস্কৃতিটো Possitive Side ত Generalize কৰিব লাগিব।

■ **আপোনাৰ প্ৰথম কৰ্মস্থলীৰ অভিজ্ঞতাৰ বিষয়ে অলপ কওঁকচোন?**

**ৰাণা প্ৰতাপ কলিতা ঃ** প্ৰথম কৰ্মস্থলীৰ অভিজ্ঞতা বুলি ক'লে নতুনকৈ সেনা বাহিনীত যোগ দিছিলোঁ। গতিকে এই সম্পৰ্কে খুব এটা জ্ঞান মোৰ নাছিল। প্ৰথম কৰ্মস্থলীৰ অভিজ্ঞতা যথেষ্ট চেলেঞ্জিক Environment আছিল। নিজৰ ঘৰ, পৰিয়াল সকলোকে এৰি অকলে থাকি দেশৰ বাবে এক চেলেঞ্জিক Environment ত থাকি কাম কৰা। সীমান্তত কৰ্তব্যৰত হৈ Duty কৰোতে নিজকে কেতিয়াবা খুব অকলশৰীয়া যেন অনুভৱ হয়। নিজৰ ওপৰত এক সন্দেহো ওপজে যে এজন সেনা বিষয়াৰ কৰ্তব্য মই ভালদৰে পালন কৰিব পাৰিম নে নোৱাৰিম। প্ৰথম অৱস্থাত চেলেঞ্জ বহুত থাকে। প্ৰথম কৰ্মস্থলী পঞ্জাৱত মই তিনিমাহমান আছিলোঁ। তাৰপিছত মই চিকিমত আছিলোঁ ভাৰত চীন সীমান্তত।

■ **আপুনি ভাৰতবৰ্ষৰ কোন কোন ৰাজ্যত কেনেকৈ সন্ত্ৰাসবাদী নিৰ্মূল কৰিছিল? এই বিষয়ে অলপ কওঁকচোন?**

**ৰাণা প্ৰতাপ কলিতা ঃ** ভাৰতবৰ্ষৰ অনেক ৰাজ্যতে আছিলোঁ দিয়ক (হাঁহি)। জম্মু কাশ্মীৰত বহু বছৰ থাকি সন্ত্ৰাসবাদী নিৰ্মূল কৰিছিলো। অপাৰেচন পৱনৰ সময়ত শ্ৰীলংকাত থাকি এল. টি. টিৰ বিৰুদ্ধে যুদ্ধ দিছিলোঁ। সমগ্ৰ North East ত সন্ত্ৰাসবাদী নিৰ্মূল কৰাৰ ক্ষেত্ৰত অসম, নগালেণ্ড আৰু মণিপুৰত আছিলোঁ।

■ **'উৰি এটেক চাৰ্জিকেল ষ্ট্ৰাইকে' আপোনাক কি কি নতুন অভিজ্ঞতা প্ৰদান কৰিছিল?**

**ৰাণা প্ৰতাপ কলিতা ঃ** 'উৰি এটেক চাৰ্জিকেল ষ্ট্ৰাইক'ৰ পৰা অভিজ্ঞতা এইটোৱেই আছিল যে Reverses থাকিব পাৰে। সকলো বস্তু সকলো সময়তে ঠিক ঠাক নাথাকিবও পাৰে। উৰি Terrorist এটেক যেতিয়া হৈছিল তেতিয়া আমাৰ বহুখিনি Casuallity হৈছিল। গতিকে Reverses সমূহ থাকিলেও নিজকে কেনেকৈ Cool Compose ৰাখি তাৰ এটা পোতক তুলিবলৈ এটা সফল অপাৰেছন কেনেকৈ কৰিব লাগে সেই Reverses টো নিজৰ সফলতালৈ Transform কৰাটো এটা ডাঙৰ অভিজ্ঞতা আছিল। Second অভিজ্ঞতাটো আছিল যে অপাৰেছনটোৰ Planning আৰু Preparation ইমান Detaily কৰিছিলো যে অপাৰেছনটো এশ শতাংশেই সফল হৈছিল। এই অপাৰেছত অংশগ্ৰহণ কৰা যিসকল Pera Commmando তেওঁলোকৰ যি Commintment, প্ৰশিক্ষণ আৰু সাহস সেয়াই অপাৰেছনটো Success কৰাত যথেষ্ট অৰিহণা যোগাইছিল। সকলো Agency সমূহৰ সহযোগিতা যেনে সেনাবাহিনীয়েই হওঁক, CAPF য়েই হওঁক, পুলিচেই হওঁক বা Civil Adminstration য়েই হওঁক বা Intealligent Agency সমূহৰ Co-Ordination য়েই হওঁক সেয়া যথেষ্ট High Standard ৰ আছিল। সকলোতকৈ ডাঙৰ কথা এইটোৱেই আছিল যে আমি অপাৰেছনটোৰ বিষয়ে সম্পূৰ্ণ গোপনীয়তা ৰক্ষা কৰাত সফল হৈছিলোঁ।

■ **NationalDefenceAcademy ত হোৱা অভিজ্ঞতাসমূহৰ বিষয়ে অলপ কওঁকচোন?**

**ৰাণা প্ৰতাপ কলিতা ঃ** National Defence Academyত মই গ্ৰেজুৱেচন Complete কৰিছিলো। তাৰ লগত Inisial Millitary Training সেয়া যথেষ্ট চেলেঞ্জিক আছিল। Physically আৰু Mentally Train কৰা হৈছিল Tuffness ৰ কাৰণে। সেইখিনি সময়ত National Defence Academy ৰ সেই প্ৰশিক্ষণ আমাৰ ভাল লগা নাছিল। কাৰণ সেই প্ৰশিক্ষণ যথেষ্ট কষ্টকৰ আছিল। কিন্তু পিছত অনুভৱ কৰিলো যে আমাৰ নিজৰ ওপৰতে Confident টো বঢ়াবলৈ Extrem Point ত Physical আৰু Mental Condition ত আমাক সেই Training দিছিল। পিছত সেই প্ৰশিক্ষণে নিজৰ ওপৰত আমাৰ সেই বিশ্বাসটো বঢ়াই দিছিল।

■ **আপুনি উগ্ৰপন্থীক জেৰা কৰোতে হোৱা অভিজ্ঞতাৰ বিষয়ে অলপ কওঁকচোন?**

**ৰাণা প্ৰতাপ কলিতা ঃ** উগ্ৰপন্থীক জেৰা কৰিবলগা অভিজ্ঞতা বহুবাৰ হৈছে। গুলীয়া গুলী কৰোতে যথেষ্ট অভিজ্ঞতা হৈছে সেইবোৰ হয়তো বিতংকৈ ক'ব নোৱাৰিম। সন্মুখা সন্মুখী গুলীয়া গুলীটো বহুবাৰ অংশগ্ৰহণ কৰিব লগা হৈছে। উগ্ৰপন্থীক জেৰা কৰিবলগা অৱস্থা বহুবাৰ হৈছে। কাশ্মীৰত থাকোঁতে মই বহুবাৰ তাৰ উগ্ৰপন্থীক জেৰা কৰিবলগীয়া অভিজ্ঞতাৰ সন্মুখীন হৈছিলোঁ। কাশ্মীৰৰ সেই উগ্ৰপন্থীক গ্ৰেপ্তাৰ কৰি জেৰা কৰোতে এবাৰতে তেওঁলোকে মুখ নোখোলে। ইয়াৰ ওপৰত বহু কাম কৰিবলগা হয়। এবাৰতে তেওঁলোকক Break কৰিব নোৱাৰি।

■ **আপোনাৰ প্ৰিয় খাদ্য?**

**ৰাণা প্ৰতাপ কলিতা ঃ** আমাৰ অসমীয়া থলুৱা খাদ্য খাই ভাল পাওঁ (অলপ হাঁহি)।

■ **আপোনাৰ প্ৰিয় ৰং?**

**ৰাণা প্ৰতাপ কলিতা ঃ** বৰ Difficult প্ৰশ্ন এইটো। প্ৰিয় ৰং মোৰ ৰঙা।

■ **আপোনাৰ হিন্দী ছবি জগতৰ প্ৰিয় অভিনেতা-অভিনেত্ৰী কোন আৰু অসমীয়া ছবি জগতৰ প্ৰিয় অভিনেতা-অভিনেত্ৰী কোন?**

**ৰাণা প্ৰতাপ কলিতা ঃ** হিন্দী ছবি জগতৰ প্ৰিয় অভিনেতা অমিতাভ বচ্চন আৰু প্ৰিয় অভিনেত্ৰী ৰেখা। অসমীয়া ছবি জগতৰ প্ৰিয় অভিনেতা বিজু ফুকন আৰু প্ৰিয় অভিনেত্ৰী মৃদুলা বৰুৱা (হাঁহি)

■ **নৱ প্ৰজন্মৰ যিসকলে সেনাবাহিনীত সৈনিক বা সেনা বিষয়া হ'ব খোজে তেওঁলোকক আপুনি কি পৰামৰ্শ দিব বিচাৰে?**

**ৰাণা প্ৰতাপ কলিতা ঃ** আমাৰ নৱ প্ৰজন্মৰ মাজত সেনাবাহিনীৰ বিষয়ে সজাগতাৰ অভাৱ। গতিকে প্ৰথম কথা পিতৃ-মাতৃ আৰু স্কুলত শিক্ষকে ল'ৰা-ছোৱালীক সেনাবাহিনীৰ বিষয়ে সজাগ আৰু উৎসাহিত কৰাটো খুবেই প্ৰয়োজন। নৱ প্ৰজন্মই সঠিক দিশত আগবাঢ়ি চেলেঞ্জসমূহ অতিক্ৰম কৰি নিজৰ লক্ষ্যত উপনীত হোৱাৰ চেষ্টা কৰিব লাগে।

■ **আপোনাৰ আদৰ্শ ব্যক্তি?**

**ৰাণা প্ৰতাপ কলিতা ঃ** এ. পি. জি আব্দুল কালাম।

■ **জীৱন সম্পৰ্কে আপোনাৰ অভিমত?**

**ৰাণা প্ৰতাপ কলিতা ঃ** Life is an experience. নিজকে নিজৰ দেশৰ দায়িত্বশীল নাগৰিক হিচাপে গঢ় দিয়াটো প্ৰয়োজন। We Should Be A Good Human.

*সাক্ষাৎকাৰ গ্ৰহণ কৰোতা*
**কুলদীপ শইকীয়া**
ৰত্নপুৰ, পলিৰোড
(কেন্দ্ৰীয় বিদ্যালয়ৰ সন্মুখত) নগাঁও
ম'বাইল ঃ ৮৪৭৪০-৯৩১৬৮

## সাৰে আছোঁ আমি

**মেৰী বৰদলৈ,** নগাঁও

সাৰে থাকিব লাগিব
তুমি
সাৰে আছোঁ
আমি
নাই ভাগৰ
দেশমাতৃ চৰণ সেৱী
কৰিছোঁ পণ আমি
শত্ৰুক কৰিম
নিধন আমি
সাৰে আছোঁ আমি
হেৰৌ কাপুৰুষ
পিশাচহঁত
তহঁতৰ নাই গতি
এইবাৰ এইবাৰ
তহঁতৰ তেজেৰে
ৰাঙলী কৰিম আমি
ভৰ লুইতৰ বুকুৰ
শেতেলি
এইখন দেশৰ
একো একোজন বীৰ
নাগৰিক আমি
মৃত্যু লৈ ভয় নাই আমাৰ
আমি বীৰ শ্বহীদৰ দেশৰ
ডেকোগাভৰু
আমাৰ বাহুত আছে
অলেখ শকতি
প্ৰয়োজনত জীৱন দিম
ৰাখি দেশৰ নাম
সাৰে আছোঁ আমি
আৰু আৰু
সাৰে থাকা তুমি...।

## স্বাভিমান

**ফুকন কৈৰত**
ৰামপুৰ, কামৰূপ

এনে সাফল্য আমাৰ কোনোকালেই কাম্য নহয়
যি সাফল্যত থাকে পৰিয়াল,স্বজনৰ মাজত বৃহৎ তফাৎ,
এনে শিক্ষা-দীক্ষাৰে পৰিপুষ্ট হ'ব নিবিচাৰিম কোনোদিন
যি শিক্ষাই বন্ধকত থাকিবলৈ বাধ্য কৰিব নিজক,
বিতৃষ্ণা জাগিব পাৰে জীৱনৰ প্ৰতি
মোহভংগ হ'ব পাৰে সপোন, দিঠক কিম্বা
অহেতুক ভাৱনাৰ দিশত
তথাপিও হাজাৰ সংঘাতেৰে আঁজুৰি আনিবলৈ
অহোপুৰুষাৰ্থ কৰিম
এখনি সুখময় সৰগৰূপী কৌতুহলী বাসনাক।
জীৱন থাকে মানে নিয়াবইতো লাগিব
সফল, বিফল আৰু নিস্ফলৰ নিপোটল গতিত,
আশাবোৰৰ উকমুকনিত দলিয়াই দিবলৈ শিকিছো
নিৰাশাৰে প্ৰত্যয়ভৰা বন্ধ কুঠৰীক।
মোৰ সাফল্যত অঞ্চলবাসীৰ শুভকামনাক
অংগুষ্ঠ প্ৰদৰ্শন কৰাৰ পৰিপন্থী মই
সুখে-দুখে, আন্ধাৰে-পোহৰে তেওঁলোকৰ
স'তেই থাকিব মোৰ
দায়িত্বশীল নাগৰিকৰ লেখীয়া প্ৰস্ফুটিত প্ৰচ্ছায়া।
সাফল্যৰ গতিধাৰাৰে দূৰ দিগন্তলৈ ঢপলিয়াবলৈ গৈ
মইতো আঁকিব নোৱাৰিম দেশে-বিদেশে
পৰিভ্ৰমণৰ আভিজাত্যিক ছবি,
আই-পিতাইৰ সপোনৰ ঘৰখন পৰ্যবসিত কৰিব নোৱাৰিম
বৃদ্ধাশ্ৰমৰ কোনোবা বন্ধ-কাৰাৰ ভিতৰত,
মইতো মই হৈ থাকিবলৈ কুঠাৰাঘাত কৰিব নোৱাৰিম
মোৰ স্বাভিমান আৰু অভিমানৰ সুৰীয়া প্ৰীতি।

**ম'বাইল ঃ** ৯৬১৩৪-৯১৪৮৯

## খেপিয়াই ফুৰোঁ এমুঠি জোনাক

■ **বলিন বৰদলৈ**
আলামি, গোলাঘাট

ৰ'দোজ্বল পুৱা পুৱাব কেতিয়াকৈ
আউসী ৰাতিৰ কালিকা আঁতৰাই
জীৱনতো যদিহে জ্বলি জ্বলি
শেষ হয় অন্ধকূপত।
পৃথিৱী পুৱাব কেতিয়াকৈ
সবিতাই হাঁহে যেতিয়া
ৰংমিলিৰ হাঁহি তাতো আছে
মায়াবী জোনাক এমুঠি তাতো আছে
কি অদ্ভুত বিচাৰি নাপালোঁ মই।
জোনাক আৰু আন্ধাৰৰ দোমোজাত
জীৱনে খেপিয়াই ফুৰে বৰদলৈ এমুঠি জোনাক
লক্ষ্যটো নহয় আন্ধাৰ
সোণালী ৰসাল মুহূৰ্ত
খলকনিত উখল-মাখল
যান্ত্ৰিকতা ভৰা জীৱন
সন্ধান মাথোঁ এমুঠি জোনাক।
পাৰিব জানো জোনাকে সকলো দিব
য'ত সকলোৱে পাব শান্তি
তথা সুখৰ স্বৰ্গ
একোপাহি প্ৰেম পাৰিজাত।
গুলী-বাৰুদৰ জোৱাৰবিহীন
এখনি আকাশ
উৰ্মিমালাবিহীন এখন সাগৰ
সেয়ে খেপিয়াই ফুৰোঁ এমুঠি জোনাক।

## দেওবৰীয়া বজাৰ

■ **শতাব্দী শৰ্মা**
আমোলাপট্টী, নগাঁও

আইৰ মৰমৰ গাইজনী,
পিতাইৰ মৰমৰ ছাগলী দুজনী,
ঘৰত উভৈনদী হৈ লগা বেঙেনা দুহালি,
ৰাতিক দিন কৰি বাইদেউয়ে আখলত ভজা
জহা-বৰাৰ টোপোলাটো,
সকলো আপোন, সপোন হৈ পৰে।
দুবেলা দুসাজৰ চিন্তাত,
চকুৰ গুৰি ছাঁইৰঙী হয়।
মহাজনৰ ওচৰত বন্ধকত থোৱা
মাটিডৰা মুকলি কৰাৰ উপায় বিচাৰি,
উশাহে ঘন গতি লয়।
ৰাতি দীঘল ,
দিনবোৰ চিকাৰী বাঘৰ হাতোৰাত বন্দী।
জ্বলাই দিয়া মাঘৰ মেজিটোৰ দৰেই,
বহুতো ৰা চকুৱে পোহৰক খেদে।
ৰাতিপুৱাৰ পৰা কৰুণ নিস্পাপ মুখবোৰত
আশাৰ স্ফুলিংগ।
বিক্ৰীত কটা যায় বছৰজুৰি ৰৈ যোৱা হিচাপ।
বহুত চকুৰ মাজত কেইবা প্ৰকাৰৰ মুখভংগীৰে
কেইহালমান চকুৱে
দুৰ্ভেদ্য দুৰ্গৰ বশ্যতা স্বীকাৰ কৰে।

**ম'বাইল ঃ** ৬৯০১১-৫২৪২৯

## সহযাত্ৰী

■ **প্ৰভাত বণিয়া**

দুঃখিত তাপিত সংসাৰ
ধোঁৱা বাৰুদৰ গোন্ধ
সুখৰ সন্ধান কৰোঁ
সংগ্ৰামৰ দীঘলীয়া কাঁইটীয়া বাট
জীৱন মধুৰ হওঁক বুলি সপোন সাৰটি
কাহিলি পুৱাতেই যি ওলালো
তিলমানো জিৰণি নাই
সুখ দুখ হাঁহি কান্দোন ৰ'দ বৰষুণ
নেওচি আগুৱাই আহিলো
দূৰ বহু দূৰ
হো-হোৱাই বতাহ বলে মেঘে মাদল বজায়
গোমা আকাশ
ফেনে ফোটোকাৰে ওফন্দি উঠিছে নদী
এই যাত্ৰা যেন অনন্ত যাত্ৰা
আমি দুয়ো সহযাত্ৰী।

## নিলাঞ্জনা

■ **ৰাখী কাশ্যপ**

সন্দিকৈ কলেজৰ সন্মুখত
সদায় বিচাৰি ফুৰে এজাক চকুৱে
কিচকিচীয়া চুলি টাৰিৰে
দুচকুত কাজল সানি কত জনৰ হিয়াত
ঝংকাৰ তোলা তাই জনীক
নীলা চুৰিদাৰবোৰসকলোতে পিন্ধি ঘূৰি ফুৰে
বা হয়তো তাইৰ প্ৰিয় ৰং নীলা বাবেই পিন্ধে
সেইকাৰণে তাই সকলোৱে বাবে নিলাঞ্জনা
তাইৰ বাবে কাজল ৰামধেনু নখ পালিচ
বিচাৰি হাহাকাৰ কৰি প্ৰেমিক চৰাইয়ে
কপাঁই জালুকবাৰী।
কিন্তু
নিৰুত্তৰ তাই তাই হৈ ৰ'ব খোজে
সকলোৱে মাজত এক প্ৰহেলিকা
তাই নিলাঞ্জনা।

**ম'বাইল ঃ** ৬০০৩৫-৭১৬৪২

## অকণিৰ মেল

**আয়শা ছিদ্দিকা (আছৰি)**

বাংলিপাৰা, বৰপেটা
দিনটোৰ প্ৰাৰম্ভিকতেই
কণ কণ নিস্পাপ প্ৰাণহঁতৰ
হাস্যজ্বল ফুলকোমলীয়া
বদন দেখি আৰম্ভ হয় দিন।
অকণিৰ খিলখিল হাঁহিৰ
গুঞ্জনে মতলীয়া কৰে
চৌহদৰ প্ৰতিটো কোণ
আৰু সমস্ত পৰিৱেশ।
হেজাৰ অকল্পনীয় কথাৰ
নিথৰ ৰঙীন প্ৰশ্নৰ মহলে
ভাবনাৰ পৰিধি বহলাই
নতুন কৌশল জ্ঞাত কৰায়।

**ম'বাইল ঃ** ৯৩৬৫৬-৮১৯৬৮

## আৰু কত কাল থাকিম ধিয়াই—

**ববীতা মিশ্ৰ শৰ্মা**
নগাঁও, আমোলাপট্টি

মৰাসুঁতিৰ জীয়া ঢলত উটি
দুখ বোৰ বুকুত সাৱটি
পোৰা হৃদয়ৰ যান্ত্ৰণাত
ভাৱাক্ৰান্ত মই,
বুকুত ৰঙা কবিতা এটা লৈ
হতাশাৰ মহাব্যাধি
কঢ়িয়াই ফুৰো
হৃদয়ৰ গভীৰৰ পৰা
গভীৰলৈ;

উৰিবলৈ শিকোৱা
আকাশখন থৈ
কণ্টকময় জীৱনত
জীয়াই আছোঁ
সময়ৰ প্ৰত্যাৱৰ্তন চাবলৈ।

সময়ে হুহুৱাই
সময়ে কন্দোৱাই
জীৱনে কিনো বিচাৰি পায়,
সপোনৰ পিছে পিছে গৈ
সপোনে কিনো দেখুৱায়;

সময়ৰ চকৰি ঘূৰুৱাই
স্পন্দিত বৰ্তমানৰ
নিবিড় আলিংগনত
জীৱনৰ সমস্ত দুখ যান্ত্ৰণাৰ
শৰশয্যা পাতি
সময়ৰ আঁচলে থৈছে গুৱাই,
মোৰ জীৱনৰ অম্লান জ্যোতি
আৰু কত কাল
থাকিম ধিয়াই ...।

## মই দুখীয়াৰ কন্যা

■ **হেৰম্ব নাথ**

মই দুখীয়াৰ কন্যা
আইৰ সংস্কৃতিৰ প্ৰহৰী মই
নকৰোঁ চুলি ষ্ট্ৰেইট্
নিবিচাৰোঁ অতি আধুনিক হ'বলৈ
গাঁৱৰ ছোৱালী মই
সৰলতাই মোৰ অলংকাৰ
অমায়িকতাই মোৰ আত্মপ্ৰত্যয়
লজ্জাই মোৰ ভূষণ
গ্ৰন্থই মোৰ সংগী
উপাসক মই জ্ঞান-প্ৰজ্ঞাৰ,
ব'হাগত জেতুকাৰ বোলেৰে হ'ম
গাঁৱলীয়া সৰলমনা ছোৱালীজনী।
গাঁৱৰ ছোৱালী মই
নাজানো চহৰ-নগৰৰ আও-ভাও
নাজানো ফাষ্ট ফুড, জাংক ফুড মানে কি?

মোৰ বাবে আয়ে বনোৱা
পিঠাগুৰিৰ লাৰু-পিঠাই সৰ্বোত্তম
গাঁৱৰ ছোৱালী মই
নাজানো হিল চেন্দেল কি
নাজানো জিনচ্-টি চাৰ্ট কি
নাজানো মেক্-আপ্ মানে কি
আলফুল কাণখনক নিপিন্ধাওঁ
ডাঙৰ কাণফুলি
ন'লগাওঁ চুলিত কৃত্ৰিম ৰং
নাজানো ইনষ্টাগ্ৰাম, চাটিং মানে কি
গাঁৱৰ ছোৱালী মই
কেৱল শিকিছোঁ
চৰিত্ৰৰ মহিমা বজাই ৰাখিবলৈ
আই-পিতায়ে দিছে সংস্কাৰ
তাকে মানি কৰোঁ
সংস্কৃতিৰ সেৱা
গাঁৱৰ ছোৱালী মই
মহা মহা মনিষীৰ গ্ৰন্থক কৰোঁ সমাদৰ
সংগী মোৰ জীৱনবাদী গ্ৰন্থ
যিয়ে দিয়ে অনুৎপল উচাহ
জীয়াই থাকিবলৈ
আৰু দিয়ে পথৰ সন্ধান।
মই দুখীয়াৰ কন্যা
কদাপি নিবিচাৰোঁ ধনীৰ সংগ
নালাগে সংগ-
চহৰ-নগৰৰ অতি আধুনিক ছোৱালীৰ

গাঁৱৰ ছোৱালী মই
কাপোৰ ব'ব জানো
চেনেহৰ ব'হাগ বিহুটি বুলি
তাঁতশালত বিহুৱান লগাইছোঁ
পিতাইলৈ বুলি
গাঁৱৰ ছোৱালী মই
পথাৰত ভূঁই ৰুব জানো
আৰু জানো নানা তৰহৰ
থলুৱা আহাৰ বনাবলৈ

অ' পিতাই মই গাঁৱৰ
সহজ-সৰল ছোৱালী
গাঁৱতে বিয়া দিবা মোক
নিখুঁত চৰিত্ৰৰ ল'ৰালৈ বুলি
নালাগে মোক অট্টালিকা
নালাগে মোক বিলাসী বাহনৰ গৰাকী
সুখেৰে খাম নিৰামিষ
শান্তিৰে শুম দুখীয়াৰ পজাঁত
যিয়ে খুলিব মোৰ আশাৰ দস্তাবেজ।

**ম'বাইল ঃ** ৭০০২৭-৯৭৫৪০

*প্ৰথম পৃষ্ঠাৰ পৰা*

# পহলগাম সন্ত্ৰাসবাদী আক্ৰমণে ভাৰতৰ ওপৰত কি প্ৰভাৱ

ফলত নিৰ্দিষ্ট দুই-এগৰাকী জম্মু-কাশ্মীৰৰ ভাৰতীয় নাগৰিক পাকিস্তানী সন্ত্ৰসবাদী কাৰ্যকলাপৰ প্ৰতি আকৰ্ষিত হৈ পৰে। পহলগামত সংঘটিত হোৱা সন্ত্ৰসবাদী আক্ৰমণো আছিল এক সুসজ্জিত পৰিকল্পনাৰ জৰিয়তে সংঘটিত কৰা আক্ৰমণ। এই আক্ৰমণৰ সময়ত প্ৰতিগৰাকী ব্যক্তিৰ ধৰ্ম সুধি কেৱল ইছলাম ধৰ্মৰ লোকসকলক ৰেহাই দি আন ধৰ্মৰ লোকসকলক হত্যা কৰাৰ আঁৰত এক ডাঙৰ ৰহস্য লুকাই আছে। ইয়াৰ উপৰিও এই আক্ৰমণৰ সমগ্ৰ তথ্য যাতে সমগ্ৰ দেশতে প্ৰচাৰিত হয় তাৰ বাবে সন্ত্ৰসবাদীবোৰে কিছুমান ব্যক্তিক হত্যা নকৰি সেই হত্যাযজ্ঞৰ বিষয়ে দেশৰ প্ৰধানমন্ত্ৰীক অৱগত কৰিবলৈ কোৱা কথাই কিন্তু এক বিশেষ তাৎপৰ্য বহন কৰিছে। আচলতে ভাৰতবৰ্ষৰ দৰে এখন জনবহুল দেশত বিভিন্ন ধৰ্মৰ মানুহে একত্ৰিত হৈ শান্তি সম্প্ৰীতিৰ মাজত বসবাস কৰি আহিছে সেই কথা পাকিস্তানৰ দৰে ধৰ্মান্ধ এখন দেশে কেতিয়াও সহজে মানি ল’ব নোৱাৰে। পহলগাম সন্ত্ৰসবাদী আক্ৰমণৰ আঁৰত লুকুৱাই থকা আচল ৰহস্যটো হৈছে যাতে ভাৰতত এক ধৰ্মৰ নামত সংঘৰ্ষ সৃষ্টি হয়। আচলতে পহলগামত সন্ত্ৰসবাদীয়ে কেৱল ইছলাম ধৰ্মাৱলম্বী লোকসকলক হত্যা নকৰি হিন্দু ধৰ্মকে ধৰি অন্য ধৰ্মৰ লোকসকলক হত্যা কৰি ভাৰতত বিশেষকৈ হিন্দু মুছলমানৰ মাজত এক সংঘাত সৃষ্টি কৰিবলৈ চেষ্টা চলাইছে। পাকিস্তানে ভালদৰে জানে যে যদি ভাৰতৰ যিকোনো এক স্থানত কোনোবাই কেৱল হিন্দু ধৰ্মৰ লোকক হত্যা কৰে তেনেহ’লে সমগ্ৰ দেশতে হিন্দু ধৰ্মৰ লোকসকলে মুছলমান ধৰ্মৰ লোকসকক এক ঘৃণাৰ দৃষ্টিৰে চাবলৈ আৰম্ভ কৰিব। ভাৰতৰ হিন্দু লোকসকলে মুছলমান লোকসকলক হত্যাকাৰী বুলি অভিহিত কৰিব। পহলগামৰ নৃশংস হত্যাযজ্ঞৰ সৈতে জড়িত মুষ্টিমেয় কেইগৰাকীমান স্থানীয় ব্যক্তি সেনা-আৰক্ষীৰ জালত পৰিলে নাইবা সংঘৰ্ষত মৃত্যু হ’লে পূৰ্বৰ দৰে আকৌ এবাৰ জম্মু-কাশ্মীৰ অশান্ত হৈ পৰিব। জম্মু-কাশ্মীৰৰ লোকসকলে পূৰ্বৰ দৰে আকৌ ভাৰত ৰাষ্ট্ৰৰ বিৰোধিতা কৰিবলৈ ৰাজপথলৈ ওলাই আহিব আৰু পাকিস্তানক সমৰ্থন কৰিব। এই সকলো কাৰক একেলগ হৈ খুব কম সময়ৰ ভিতৰতে ভাৰতত এক গোষ্ঠী সংঘৰ্ষৰ সৃষ্টি কৰিব। পাকিস্তানী সেনাই সন্ত্ৰসবাদী সংগঠনৰ সহায়ত অতি সু-সজ্জিত পৰিকল্পনাৰ জৰিয়তে পহলগামত এই সন্ত্ৰসবাদী আক্ৰমণ সংঘটিত কৰিছিল। উপৰোক্ত কাৰকসমূহে পাকিস্তানী সেনাৰ যি অভিপ্ৰায় আছিল তাৰ স্পষ্ট প্ৰমাণ বহন কৰিছে। কিন্তু পাকিস্তানৰ এই মানসিকতাৰ পৰা এটা কথা স্পষ্ট হৈ পৰে যে পাকিস্তানৰ জ্ঞান আৰু শক্তি তেনেই তাকৰ। যেতিয়া জম্মু-কাশ্মীৰৰ স্থানীয় নাগৰিকৰ লগতে সমগ্ৰ দেশতে পাকিস্তানৰ বিৰুদ্ধে প্ৰতিবাদৰ জোৱাৰ উঠে তেতিয়াই পাকিস্তানে উপলব্ধি কৰিছিল যে পাকিস্তানৰ সকলো পৰিকল্পনা অথলে গ’ল।

যদিও পাকিস্তানৰ অভিসন্ধিয়ে ভাৰতৰ ঐক্য আৰু ভাতৃত্ববোধত কোনো প্ৰভাৱ পেলাব নোৱাৰে তথাপিও কিন্তু জম্মু-কাশ্মীৰৰ স্থানীয় লোকসকলৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলাব। কাৰণ এই আক্ৰমণৰ ফলত জম্মু-কাশ্মীৰৰ প্ৰায়ভাগ পৰ্যটনস্থলী পৰ্যটকৰ বাবে বন্ধ কৰি দিয়া হৈছে। যি সকল জম্মু-কাশ্মীৰৰ স্থানীয় লোকে পৰ্যটন উদ্যোগক জীৱিকা হিচাপে গ্ৰহণ কৰি জীৱন নিৰ্বাহ কৰি আছিল তেওঁলোক যথেষ্ট ক্ষতিগ্ৰস্ত হ’ব। পহলগাম আক্ৰমণৰ ফলত জম্মু-কাশ্মীৰত পৰ্যটকৰ সংখ্যা দ্ৰুত গতিত হ্ৰাস হ’ব। নিজৰ জীৱন বিপদাপন্ন কৰি পৰ্যটকসকলে জম্মু-কাশ্মীৰলৈ যোৱাৰ পৰিবৰ্তে বিকল্প পৰ্যটনস্থলীৰ সন্ধান কৰিবলৈ আৰম্ভ কৰিব। পহলগামৰ সন্ত্ৰসবাদী আক্ৰমণে জম্মু-কাশ্মীৰৰ পৰ্যটন উদ্যোগটোক সাময়িকভাৱে হ’লেও যথেষ্ট ক্ষতি কৰাটো অৱশ্যম্ভাৱী। পাকিস্তানে কেতিয়াও নিবিচাৰে যে জম্মু-কাশ্মীৰৰ লোকসকল শৈক্ষিক দিশত, অৰ্থনৈতিক দিশত, ৰাজনৈতিক দিশত আগবাঢ়ি যাওক। যদি জম্মু-কাশ্মীৰৰ লোকসকল সকলো দিশতে আগবাঢ়ি যায় তেনেহ’লে পাকিস্তানে চলোৱা অপপ্ৰচাৰৰ বশৱৰ্তী হৈ জম্মু-কাশ্মীৰৰ নিৰ্দিষ্ট দুই এগৰাকী যুৱক বিপথে পৰিচালিত নহ’ব। ইয়াৰ ওপৰিও পাকিস্তানৰ বাবে ভাৰতৰ ভূমিত সন্ত্ৰসবাদী কাৰ্যকলাপ চলোৱা অসম্ভৱ হৈ পৰিব।

আজিৰ তাৰিখত জম্মু-কাশ্মীৰৰ প্ৰতিগৰাকী বিবেকবান লোকে পাকিস্তানৰ সকলো অভিসন্ধিৰ কথা ভালদৰে বুজি উঠিছে। যাৰ প্ৰতিফলন স্বৰূপে আমি দেখিবলৈ পাইছোঁ যে পহলগামৰ সন্ত্ৰসবাদী আক্ৰমণৰ প্ৰতিবাদ কৰিবলৈ জম্মু-কাশ্মীৰৰ সকলো জনতা ৰাজপথত ওলাই আহিছে। ইয়াৰ উপৰিও আটাইতকৈ উল্লেখযোগ্য কথাটো হৈছে পৰ্যটকসকলৰ জীৱন ৰক্ষা কৰিবলৈ পাকিস্তানী উগ্ৰপন্থীৰ গুলি নিজৰ বুকুত পাতি ল’বলৈকো স্থানীয় জম্মু-কাশ্মীৰৰ লোকসকলে কুণ্ঠাবোধ কৰা নাই। পৰ্যটকৰ জীৱন ৰক্ষা কৰাৰ অপৰাধত সন্ত্ৰসবাদীয়ে এগৰাকী পহলগামৰ স্থানীয় ব্যক্তিক শূন্য দূৰত্বৰ পৰা গুলীয়াই হত্যা কৰে। এই সকলো দিশ পৰ্যালোচনা কৰি আমি এক স্পষ্ট সিদ্ধান্তত উপনীত হ’ব পাৰো যে কোনো ধৰ্মই সন্ত্ৰসবাদীৰ সৃষ্টি নকৰে বৰঞ্চ একাংশ নীচ মানসিকতাৰ ব্যক্তিহে ধৰ্মৰ আলম লৈ সন্ত্ৰসবাদৰ সৃষ্টি কৰে। এই কথা উপলব্ধি কৰিয়ে জম্মু-কাশ্মীৰৰ জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলো স্থানীয় লোকে পহলগাম সন্ত্ৰসবাদী আক্ৰমণৰ লগত জড়িত অপৰাধীৰ শাস্তিৰ দাবীত ৰাজপথলৈ ওলাই আহিছে। জম্মু-কাশ্মীৰৰ লোকসকলৰ এই ভূমিকাই পাকিস্তানলৈ স্পষ্ট বাৰ্তা প্ৰেৰণ কৰিছে যে ভাৰতত প্ৰচলিত ভাতৃত্ববোধৰ যি এনাজৰী সেই এনাজৰীডাল পাকিস্তনে যিমান চেষ্টা কৰিলেও দুৰ্বল কৰিব নোৱাৰে। বৰঞ্চ পাকিস্তানৰ ঘৃণনীয় কৰ্মৰ বাবে ভাৰতৰ ভাতৃত্ববোধৰ এনাজৰীডাল আৰু অধিক মাজবুত হৈ উঠাত যথেষ্ট প্ৰভাৱ পেলাব। জম্মু-কাশ্মীৰ ভাৰতৰ অবিচ্ছেদ্য অংগ আৰু ভৱিষ্যতেও সদায় ভাৰতৰে অবিচ্ছেদ্য অংগ হৈ থাকিব। জম্মু-কাশ্মীৰৰ লোকসকলে সন্ত্ৰসবাদৰ বিৰুদ্ধে ৰাজপথলৈ ওলাই আহি ইয়াৰ স্পষ্ট বাৰ্তা পাকিস্তানলৈ প্ৰেৰণ কৰিছে। জম্মু-কাশ্মীৰৰ লোকসকল কেতিয়াও সন্ত্ৰসবাদৰ সমৰ্থক নাছিল, আজিও নহয় আৰু ভৱিষ্যতৰ দিনটো নকৰে। জম্মু-কাশ্মীৰৰ এখন নৈসৰ্গিক পৰিৱেশৰ ঠাই হিচাপে উপস্থাপন কৰাৰ পৰিৱৰ্তে এক অশান্তজৰ্জৰ ঠাই বুলি পাকিস্তানে সদায় পৃথিৱীৰ সন্মুখত উপস্থাপন কৰি আহিছে। পাকিস্তানৰ এই কু-অভিসন্ধিক জম্মু-কাশ্মীৰৰ স্থানীয় লোকসকলে ভাৰত চৰকাৰৰ সহযোগত অতি সোনকালে মষিমূৰ কৰিব বুলি বৰ্তমানৰ পৰিৱেশ আৰু পৰিস্থিতিয়ে স্পষ্ট ইংগিত প্ৰদান কৰিছে। চৰকাৰ আৰু জম্মু-কাশ্মীৰৰ স্থানীয় লোকসকলৰ প্ৰচেষ্টাত আকৌ এবাৰ জম্মু-কাশ্মীৰ পৰ্যটকৰ বাবে আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ উঠক। জম্মু-কাশ্মীৰৰ লোকসকল পৰ্যটন উদ্যোগৰ জৰিয়তে স্বাৱলম্বী হ’বলৈ সক্ষম হওক।

**ম’বাইল ঃ** ৬৯১৩৯-৩০৮২৯

# জিলা আয়ুক্তসকলৰ সৈতে মুখ্যমন্ত্ৰীৰ ভিডিঅ’

ৰূপায়ণ হয় সেয়া সুনিশ্চিত কৰিবলৈ নিৰ্দেশ প্ৰদান কৰে। আনহাতে, বৈঠকত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান ১.০ৰ অধীনত স্বাৱলম্বী হোৱাৰ দিশত আগবাঢ়ি অহা যুৱক-যুৱতীসকলক প্ৰশিক্ষণ প্ৰদান আদিকে ধৰি বিভিন্ন বিষয়ত হোৱা অগ্ৰগতিৰো মুখ্যমন্ত্ৰীয়ে বুজ লয়। তদুপৰি তেওঁ মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান ২.০ৰ বাবে জিলাসমূহে লাভ কৰা আবেদনৰ খতিয়ান লৈ প্ৰাৰ্থীসকলৰ নিৰ্বাচন প্ৰক্ৰিয়াটো অতিশীঘ্ৰে সম্পূৰ্ণ কৰাত গুৰুত্ব আৰোপ কৰে। বৈঠকত অৰুণোদয় ৩.০ ৰূপায়ণ সন্দৰ্ভতো জিলা আয়ুক্তসকলৰ সৈতে মুখ্যমন্ত্ৰীয়ে বিতংভাৱে আলোচনা কৰে। এই আঁচনিখনে যাতে ৰাজ্যখনৰ এক বৃহৎ পৰিসৰৰ জনসাধাৰণক সামৰি ল’ব পাৰে সেই উদ্দেশ্যে হিতাধিকাৰী নিৰ্বাচন, তথ্যসমূহৰ ডিজিটেলাইজেশ্যন আদিৰ জিলাভিত্তিক অগ্ৰগতিৰ খতিয়ান লৈ সময় নিৰ্ধাৰিতভাৱে সকলো প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। অৰুণোদয় ৩.০ আঁচনিখন যাতে বিটিআৰ অঞ্চলতো সুষমভাৱে ৰূপায়ণ হয় সেই দিশতো মুখ্যমন্ত্ৰীয়ে বিশেষ গুৰুত্ব আৰোপ কৰে। বিটিআৰ অঞ্চলৰ অন্তৰ্গত জিলা পাঁচখনৰ জিলা আয়ুক্তসকলক মুখ্যমন্ত্ৰীয়ে এই দিশত হিতাধিকাৰীৰ তালিকা প্ৰস্তুতকৰণ আদিকে ধৰি প্ৰয়োজনীয় সকলো পদক্ষেপ সময় নিৰ্ধাৰিতভাৱে সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। এই বৈঠকত বিত্ত আদি বিভাগৰ মন্ত্ৰী অজন্তা নেওগ, উদ্যোগ আদি বিভাগৰ মন্ত্ৰী বিমল বড়া, বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ উপৰি মুখ্য সচিব ড° ৰবি কোটা, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব ড° কে কে দ্বিৱেদী আৰু বিত্ত বিভাগৰ আয়ুক্ত সচিব জয়ন্ত নাৰ্লেকাৰকে ধৰি কেইবাগৰাকীও শীৰ্ষ বিষয়া উপস্থিত থাকে।

# বাৰিষাৰ পূৰ্বে কলিয়াবৰ আৰু বোকাখাতত বানে ছিঙা মথাউৰিৰ মেৰামতিৰ কামৰ বুজ লয় জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই

অংশ ভাঙি পেলাইছিল। এই ঘটনাই বৃহৎ অঞ্চল প্লাৱিত কৰি বিধ্বংসী ৰূপ ধাৰণ কৰে। তেওঁ কয় যে জলসম্পদ বিভাগৰ কৰ্মীসকলে জিঅ’-বেগ, পৰকিউপাইন, আৰু অন্যান্য সামগ্ৰী ব্যৱহাৰ কৰি স্লুইচ গেটৰ সন্মুখত এটা কফাৰডেম নিৰ্মাণ কৰিছিল। এই প্ৰচেষ্টাৰ ফলত ভংগ হোৱা প্ৰায় ৭০ মিটাৰ খণ্ডটো পুনৰ সংযোগ কৰিব পৰা হয়। পৰৱৰ্তী সময়ত বান সুৰক্ষাৰ আন্তঃগাঁথনি শক্তিশালী কৰিবৰ বাবে সেই স্থানত জিঅ’-টিউব স্থাপন কৰা হয়। মন্ত্ৰী হাজৰিকাই আৰু কয় যে আগন্তুক বাৰিষাত জনসাধাৰণৰ অসুবিধা ৰোধৰ বাবে জৰুৰী কামৰ প্ৰয়োজন হ’ব পৰা সকলো সামগ্ৰী যেনে জিঅ’-বেগ, পৰকিউপাইন, চেণ্ড বেগ আদি পৰ্যাপ্ত পৰিমাণে সকলো জিলাতে যোগান ধৰা হৈছে। সমান্তৰালভাৱে তেওঁ উল্লেখ কৰে যে কলং নদীৰ প্ৰবাহ পুনৰ প্ৰতিষ্ঠা কৰাৰ বাবে খননৰ কাম আকৌ অতি সোনকালে আৰম্ভ কৰা হ’ব। মন্ত্ৰীগৰাকীৰ ভ্ৰমণৰ সময়ত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা আদি মন্ত্ৰী তথা স্থানীয় বিধায়ক কেশৱ মহন্তও উপস্থিত থাকে। ইয়াৰ পাছতে মন্ত্ৰীগৰাকীয়ে গোলাঘাট জিলাৰ বোকাখাত সমষ্টিৰ অন্তৰ্গত বংকোৱালৰ ৰিৰি গাঁৱৰ ব্ৰহ্মপুত্ৰ নদীয়ে খহনীয়াৰ সৃষ্টি কৰি অহা এটা স্থান পৰিদৰ্শন কৰে। এই অঞ্চল পৰিদৰ্শন কৰাৰ পিছত তেওঁ জলসম্পদ বিভাগৰ অভিযন্তা আৰু বিষয়াসকলক খহনীয়াৰ বিৰুদ্ধে তাৎক্ষণিক প্ৰতিৰোধমূলক কাম আৰম্ভ কৰিবলৈ নিৰ্দেশ দিয়ে। তেওঁ উল্লেখ কৰে যে এই স্থানত স্থায়ী সুৰক্ষাৰ বাবে এছিয়ান ডেভেলপমেণ্ট বেংকৰ অধীনত প্ৰায় ৮৫০ মিটাৰ দৈৰ্ঘ্যৰ প্ৰায় ৯ কোটি টকা ব্যয়ৰ এটা প্ৰকল্প ইতিমধ্যে অনুমোদন কৰা হৈছে। এই প্ৰকল্পটো বাৰিষাৰ শেষত ডিচেম্বৰ মাহত আৰম্ভ কৰা হ’ব বুলি তেওঁ জানিবলৈ দিয়ে। মন কৰিবলগীয়া যে যোৱা বছৰৰ বাৰিষাৰ সময়ত ব্ৰহ্মপুত্ৰৰ নদীৰ বানপানীয়ে বংকোৱালৰ এটা মথাউৰি ভাঙি পেলাইছিল। ক্ষতিগ্ৰস্ত অংশটোৰ সন্মুখত এটা কফাৰডেম নিৰ্মাণ কৰা হৈছিল আৰু ছটা জিঅ’-টিউব ব্যৱহাৰ কৰি মথাউৰিটো তৎক্ষণাত পুনৰ সংযোগ কৰা হৈছিল। মন্ত্ৰীগৰাকীয়ে পুনৰ এই স্থান পৰিদৰ্শন কৰি মথাউৰিটোৰ বৰ্তমানৰ অৱস্থাৰ বুজ লয় আৰু আগন্তুক বাৰিষাত যাতে ই সুৰক্ষিত হৈ থাকে আৰু স্থানীয় ৰাইজৰ বানৰ ফলত কোনো অসুবিধা নহয় তাৰ বাবে সকলো প্ৰাসংগিক দিশ পৰ্যালোচনা কৰে। মন্ত্ৰী হাজৰিকাই জলসম্পদ বিভাগে অতি কম সময়ত কামটো সম্পূৰ্ণ কৰাৰ বাবে শলাগ লয়। তেওঁ আৰু উল্লেখ কৰে যে জিঅ’ মেগা টিউবৰ ব্যৱহাৰে সমগ্ৰ ৰাজ্যতে মথাউৰি প্ৰকল্পসমূহ দীৰ্ঘম্যাদী কৰি তুলিছে আৰু ইয়াৰ ফলপ্ৰসূতা যথেষ্ট বৃদ্ধি কৰিছে। জলসম্পদ বিভাগৰ মুখ্য অভিযন্তা আৰু অন্যান্য বিষয়াসকলে মন্ত্ৰীগৰাকীৰ এই ভ্ৰমণৰ সময়ত উপস্থিত থাকে।

# বড়মপুৰ আৰু হোজাইত কপিলী নৈৰ পাৰত নিৰ্মীয়মান মথাউৰি পৰিদৰ্শন মন্ত্ৰী পীযুষ হাজৰিকাৰ



**দিছপুৰ ঃ** ৰাজ্যৰ জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই নগাঁও আৰু হোজাই জিলা ভ্ৰমণ কৰি কপিলী নৈৰ পাৰত বিভাগৰ অধীনত নতুনকৈ নিৰ্মীয়মান মথাউৰি পৰিদৰ্শন কৰাৰ লগতে বান নিয়ন্ত্ৰণৰ বাবে আৰু প্ৰয়োজন হ’ব পৰা ব্যৱস্থাসমূহৰ বুজ লয়। জলসম্পদ মন্ত্ৰীগৰাকীয়ে প্ৰথমতে বৰ্তমানৰ বড়মপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত কেইবাটাও স্থানত কপিলী নৈৰ পাৰৰ মথাউৰি পৰিদৰ্শন কৰে। জলসম্পদ বিভাগৰ নগাঁও সংমণ্ডলত ৰহা আৰু বড়মপুৰ বিধান সভা সমষ্টিত কপিলী নৈৰ বাঁওপাৰৰ গাৰোখুন্দা, বৰচুঙৰ পৰা চাংচাকীলৈ আৰু সোঁপাৰৰ বাৰেগোগাৰ পৰা নিজ নাৰিকলিলৈ মুঠ ৯.৫ কিল’মিটাৰ দৈৰ্ঘ্যৰ দুটা নতুন মথাউৰি নিৰ্মাণৰ কাম চলি আছে। মন্ত্ৰীগৰাকীয়ে বৰ্তমানৰ বড়মপুৰ বিধান সভা সমষ্টিৰ অধীনস্থ গাৰোখুন্দা, চাংচাকী আদি কেইবাটাও স্থানত মথাউৰিটো পৰিদৰ্শন কৰে। ইতিমধ্যে ৮৫ শতাংশ কাম সম্পূৰ্ণ হোৱা মথাউৰিটোৰ বাকী থকা কামখিনি ভৰ বাৰিষাৰ পূৰ্বে সম্পূৰ্ণ কৰিবলৈ তেওঁ নিৰ্দেশনা প্ৰদান কৰে। বান-খহনীয়া সমস্যা নিৰ্মূল কৰিবলৈ সমষ্টিটোত আৰু ৮-৯ কিল’মিটাৰমান নতুন মথাউৰিৰ প্ৰয়োজন আছে বুলি জানিব পাৰি মন্ত্ৰীগৰাকীয়ে পৰ্যায়ক্ৰমে সেই কামসমূহো কৰা হ’ব বুলি প্ৰতিশ্ৰুতি দিয়ে। আনহাতে বিগত পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰৰ সময়ত বড়মপুৰ বিধান সভা সমষ্টিৰ অন্তৰ্গত যমুনামুখত প্ৰচাৰৰ বাবে যাওঁতে স্থানীয় লোকসকলে সেই অঞ্চলত কপিলী নৈৰ বান-খহনীয়া সমস্যাৰ বিষয়ে উল্লেখ কৰিছিল। মন্ত্ৰীগৰাকীয়ে তেতিয়াই প্ৰতিশ্ৰুতি দিছিল যে তেওঁ শীঘ্ৰে অঞ্চলটো পৰিদৰ্শন কৰিব। প্ৰতিশ্ৰুতি অনুসৰিয়েই মন্ত্ৰীগৰাকীয়ে বিধায়ক জিতু গোস্বামীৰ সৈতে যমুনামুখ অঞ্চলত উপস্থিত হৈ মথাউৰিৰ প্ৰয়োজন থকা স্থানসমূহৰ বুজ লয়। অঞ্চলটোৰ সুৰক্ষাৰ বাবে প্ৰায় ৮ কিল’মিটাৰ দৈৰ্ঘ্যৰ মথাউৰিৰ প্ৰয়োজন আছে বুলি জ্ঞাত হৈ মন্ত্ৰীগৰাকীয়ে ইয়াত জিঅ’ মেগা টিউবৰ সহায়ত মথাউৰি নিৰ্মাণৰ লগতে কপিলী নৈৰ খহনীয়া প্ৰতিৰোধৰ বাবেও প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণৰ বাবে জলসম্পদ বিভাগৰ অভিযন্তা, বিষয়াসকলক প্ৰকল্প সাজু কৰিবলৈ নিৰ্দেশ দিয়ে। পাছত জলসম্পদ মন্ত্ৰীগৰাকীয়ে হোজাই জিলাৰ কপিলী নৈৰ সোঁপাৰে খাৰিখানাৰ পৰা যোগীজান পৰ্যন্ত নিৰ্মাণ কৰি থকা নতুন মথাউৰিটোৰ কামৰ অগ্ৰগতি বুজ ল’বলৈ পৰিদৰ্শন কৰে।

অসম চৰকাৰ

# ই-খাজনা

## ভূমি ৰাজহ আদায় ব্যৱস্থাৰ সৰলীকৰণ

ভূমি ৰাজহ সংগ্ৰহ ব্যৱস্থা অধিক স্বচ্ছ, কাৰ্যকৰী তথা সুগম কৰাৰ লক্ষ্যৰে
ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ, অসম চৰকাৰে জনসাধাৰণৰ বাবে লৈ আহিছে
**অনলাইন আৰু অফলাইন মাধ্যমেৰে খাজনা পৰিশোধ ব্যৱস্থা**

- পট্টাদাৰে অনলাইন আৰু অফলাইন দুয়োটা মাধ্যমেৰে খাজনা পৰিশোধ কৰিব পাৰিব
- পট্টাদাৰসকলে অনলাইন e-Khazna যোগে বা অফলাইন CFR যোগে আদায় দিব পাৰিব ভূমি ৰাজহ
- অনলাইন e-Khazna যোগে খাজনা পৰিশোধ কৰিব নোৱাৰা পট্টাদাৰৰ বাবে কৰা হৈছে এই ব্যৱস্থা
- কৰ্মসূত্ৰে বা আন কাৰণত বাহিৰত বসবাস কৰা পট্টাদাৰে অনলাইনযোগে e-Khaznaৰ জৰিয়তে ভূমি ৰাজহ আদায় দিব পাৰিব
- সকলো জিলাৰ সমূহ মৌজাদাৰ/ তহচিলদাৰৰ কাৰ্যালয়ত এই ব্যৱস্থা কৰা হৈছে

ভূমিৰ ৰাজহ
অনলাইন পৰিশোধ কৰিবলৈ
QR ক'ড স্কেন কৰক

**আজিয়েই
আপোনাৰ ভূমি ৰাজহ
আদায় দিয়ক**

মোবাইলৰ সহায়ত QR ক'ড স্কেন → ই-খাজনা প'ৰ্টেল → পে' (যদি ইতিমধ্যে পঞ্জীয়ন কৰা হৈছে) বা খাজনা আদায় দিবলৈ পঞ্জীয়ন কৰক

Exclusive/2024-25/10

ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ, অসম চৰকাৰ


তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Connect with us @diprassam dipr.assam.gov.in

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

Janasanyog RO no 245/25/23-May-25

# ছাত্ৰ জীৱনৰ গোপন মন্ত্ৰ - শিৱসাগৰৰ এজন ছাত্ৰৰ অনুপ্ৰেৰণাদায়ক যাত্ৰা




**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** প্ৰণাম কৌশিক গিৰি, শিৱসাগৰৰ এজন দ্বাদশ শ্ৰেণীৰ ছাত্ৰ, শিক্ষা মন্ত্ৰণালয়ে আয়োজন কৰা 'প্ৰেৰণা উৎসৱ-২০২৫'ৰ পৰা গভীৰভাৱে অনুপ্ৰাণিত হৈছে। উল্লেখযোগ্য যে, তেওঁ আছিল তেনে ২০ জন শিক্ষাৰ্থীৰ ভিতৰত এজন, যাক ভাৰতবৰ্ষৰ নানা প্ৰান্তৰ পৰা বাছনি কৰা হৈছিল 'প্ৰেৰণা' নামৰ অভিজ্ঞতাভিত্তিক আৱাসিক শিক্ষণ কাৰ্যসূচীৰ বাবে। প্ৰেৰণাৰ অভিজ্ঞতা তেওঁৰ জীৱনলৈ এক নতুন দৃষ্টিভংগী লৈ আহে। এই অভিজ্ঞতাৰ আধাৰত প্ৰণামে সম্প্ৰতি শিৱসাগৰৰ তেওঁ অধ্যয়নৰত বিদ্যালয়ৰ ৯ম আৰু ১০ম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এখন বিশেষ ছেমিনাৰ আয়োজন কৰে, যাৰ শিৰোনাম আছিল— "ছাত্ৰ জীৱনৰ গোপন মন্ত্ৰ"। শেহতীয়াকৈ তেওঁ D.P.S, নাজিৰা আৰু অন্যান্য কেইখনমান স্থানীয় শিক্ষানুষ্ঠানটো নিজ অভিজ্ঞতা সম্পন্ন ছেমিনাৰ অনুষ্ঠিত কৰে। এই ছেমিনাৰ এখন সাধাৰণ শিক্ষামূলক কাৰ্যক্ৰম নহয়, বৰং এটি গভীৰ অধ্যয়ন, আত্ম-চিন্তন আৰু আধুনিক তথা প্ৰাচীন শিক্ষাৰ তুলনামূলক বিশ্লেষণৰ ওপৰত আধাৰিত হয়। তেওঁৰ এই অনন্য প্ৰচেষ্টাত 'সাক্ষৰ আৰু শিক্ষিত' ব্যক্তিৰ মাজৰ পাৰ্থক্য, অধ্যয়নৰ সঠিক পদ্ধতি, স্মাৰ্ট আৰু হাৰ্ডৱৰ্ক, ছাত্ৰ জীৱন আৰু অধ্যৱসায় আদিৰ মূল্যবোধৰ ওপৰত আলোচনা কৰা হয়। তেওঁৰ দৃষ্টিভংগী স্পষ্ট - আধুনিক শিক্ষণ প্ৰণালী হ'ব লাগে পৰস্পৰ সহযোগিতামূলক। আনহাতে পৰম্পৰাগত প্ৰতিযোগিতামূলক শিক্ষা ব্যৱস্থাটোৰ সংশোধন হোৱাটো ছাত্ৰ প্ৰণাম কৌশিক গিৰিয়ে বিচাৰে।

# অসম ভিত্তিত গল্প আৰু কবিতা প্ৰতিযোগিতা আয়োজন

**বিশেষ সংবাদদাতা, নগাঁও ঃ** 'সদৌ অসম লেখিকা সমাৰোহ সমিতি'ৰ নগাঁও শাখাৰ উদ্যোগত প্ৰতি বছৰৰ দৰে এইবাৰো অসম ভিত্তিত নলিনী দেৱান মৰলৰ স্মৃতিত গল্প আৰু কবিতা প্ৰতিযোগিতা আয়োজন কৰা হৈছে। সেয়েহে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব বিচৰা ইচ্ছুক মহিলা প্ৰতিযোগীসকলক অহা ১০ জুনৰ ভিতৰত নগাঁও জিলা সমিতিৰ সম্পাদিকা প্ৰিয়ম্বদা শইকীয়া বৰা, পুথিঘৰ প্ৰেছ, ঢাকাইপট্টি, নগাঁও-০১, ফোন নং- ৯৯৫৪০-০৫২৬১ ৰ সৈতে যোগাযোগ কৰাৰ লগতে লেখাসমূহ উক্ত ঠিকনালৈ প্ৰেৰণ কৰিবলৈ আহ্বান জনাইছে।






# মুকালমুৱা কালদি লাউপাৰা গাঁৱৰ এগৰাকী অসহায় বৃদ্ধাৰ কৰুণ কাহিনী



**শংকৰ দাস, মুকালমুৱা ঃ** মুকালমুৱা কালদি গাঁৱৰ পূৰ্ণিমা কলিতাৰ কৰুণ জীৱন গাঁঠা অকলশৰীয়া বৃদ্ধাগৰাকীৰ ঘৰৰ পৰিৱেশ দেখিলে চকু সেমেকিবো আপোনাৰো। দুই পুত্ৰ থকাৰ পাছতো অসহায় বৃদ্ধাগৰাকী দুজনকৈ পুত্ৰ সন্তানৰ এজন মানসিকভাৱে বিকাৰগ্ৰস্ত। আনহাতে আন এজন কৰ্ম সূত্ৰে পৰিয়ালসহ থাকে গুৱাহাটীত। মাতৃৰ খবৰ ল'বলৈ সময় নাই পুত্ৰৰ। বৃদ্ধাগৰাকীৰ থাকিবলৈ নাই উপযুক্ত বাসগৃহ। ধুমুহা বৰষুণত বিচনাৰ তলতে থাকিব লগা হয় বৃদ্ধা আইতাগৰাকী। ৰাজ্যত প্ৰধানমন্ত্ৰীৰ আৱাস যোজনাৰ লাখ লাখ হিতাধিকাৰী সৃষ্টি হ'ল যদিও আৱাস যোজনাৰ তালিকাত নাম নাহিল বৃদ্ধা আইতাৰ কেকান কাপলাবড়ি গাঁও পঞ্চায়তৰ সভাপতিৰ লগতে পঞ্চায়তখনৰ সদস্যই ৫ বছৰে খবৰ ল'বলৈ আঁহৰি নহ'ল বৃদ্ধাগৰাকীৰ। মাজে সময়ে দিনৰ দিনটো খাবলৈ এমুঠি অন্ন নাপায় আইতাই। কেইদিনমান আগতে গাঁওখনৰ যুৱক কেইজনমানৰ সৈতে ৰূপাঞ্জলি দাস লগতে প্ৰীতম গোস্বামীয়ে মহিলা গৰাকীক সহায় কৰিবলৈ আগবাঢ়ি আহিছে। সংবাদ মাধ্যমৰ জড়িয়তেই অসম চৰকাৰৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক কান্দি কান্দি এটি ঘৰ দিবলৈ অনুৰোধ জনালে আইতাই।




# ২৩ মে'ত মুক্তি লাভ 'ভাইমন দা'

■ **সমুজ্জ্বল ডেকা,** ৰঙিয়া
পুঠিমাৰী মহাবিদ্যালয়

৯০ দশকৰ স্বনামধন্য চিনেমা পৰিচালক প্ৰয়াত মুনীন বৰুৱাৰ জীৱনৰ আধাৰত নিৰ্মাণ কৰা হৈছে নতুন অসমীয়া চলচ্চিত্ৰ 'ভাইমন দা'। ছবিখনত কাহিনী, চিত্ৰনাট্য, সংলাপ তথা পৰিচালনা কৰিছে শশাংক সমীৰে। প্ৰযোজক শ্যামন্তক গৌতমৰ লগতে সুৰৰ ৰাগিতে মন মোহিত কৰা অসমৰ হিয়াৰ আমঠু যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰৱ জুবিন গাৰ্গ আৰু পৰাণ বৰকটকীয়ে সংগীতৰ দায়িত্বত আছে। গৰিমা শইকীয়াই সাজ-পোছাক যোগানৰ ক্ষেত্ৰত বিশেষভাৱে সহায় কৰা 'ভাইমন দা' শীৰ্ষক ছবিখনত পোন প্ৰথমবাৰৰ বাবে অসমীয়া চলচ্চিত্ৰৰ জগতত ৩৬০ খনতকৈও অধিক কলা-কুশলী জড়িত হৈছে। ইয়াৰ পৰা বুজা যায় যে প্ৰায় প্ৰতিখন ঠাইৰে মানুহ সক্ৰিয়ভাৱে ছবিখনত জড়িত আছে। অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী, শব্দযন্ত্ৰী তথা ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত জনপ্ৰিয় অসম সন্তান সমূহৰ অংশীদাৰিত্বৰে সমৃদ্ধ চিনেমাখনৰ চিত্ৰগ্ৰহণ কৰিছে ভাঞ্চিনাথন মুৰুগেচনে। জিল ক্ৰিয়েচনছৰ বেনাৰত নিৰ্মিত ছবিখনৰ মাইলৰ খুঁটি হিচাপে ইতিমধ্যে দিগন্ত ভাৰতীৰ কথা




সমৃদ্ধ জুবিন গাৰ্গ আৰু মহালক্ষ্মী লায়ৰ কণ্ঠত নিগৰা 'এৰা এৰা' শীৰ্ষক গীতটিয়ে সামাজিক মাধ্যমত ৰাইজৰ মাজত যথেষ্ট জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছে। উক্ত চিনেমাখনত জুবিন গাৰ্গৰ চৰিত্ৰত কোনে অভিনয় কৰিছে সেয়া ৰহস্যজনক, গতিকে সেই ৰহস্যৰ উদ্‌ঘাটন কৰিবৰ বাবে ছবিখনৰ পৰিচালক শশাংক সমীৰে অহা ২৩ মে'ত সকলোকে ছবি গৃহত আহিবলৈ আহ্বান জনায়। দৰ্শকে ছবিখন আকোঁৱালি ল'ব বুলি 'ভাইমন দা'ৰ গোটেই টিমটো খুবেই আশাবাদী।

**ম'বাইল ঃ** ৭৫৭৮৮-৮০৯৩৩

স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.com/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,
সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া
সম্পাদক ঃ প্ৰণতি বৰা